সন্দিকৈ ছোৱালী মহাবিদ্যালয়
অসমীয়া বিভাগৰ বাৰ্ষিক মুখপত্ৰ

# উত্তৰণ

Journal of Assamese Department, Handique Girls' College

□ দশম বৰ্ষ □ অক্টোবৰ, ২০১২ □10th Year □Oct./2012

## সম্পাদনা সমিতি

উপদেষ্টা মণ্ডলী ঃ ড° ইন্দিৰা বৰদলৈ, *অধ্যক্ষা*
মণিমায়া বৰদলৈ, *বিভাগীয় প্ৰধান*

সম্পাদক ঃ সুৰভি বিকাশ বৰা, *সহকাৰী অধ্যাপিকা*
সদস্য/সদস্যা ঃ মনজ্যোৎস্না মহন্ত গোস্বামী, *সহকাৰী অধ্যাপিকা*
ড° লক্ষী হাজৰিকা, *সহকাৰী অধ্যাপক*
কৰবী বসুমতাৰী, *সহকাৰী অধ্যাপিকা*
শুভশ্ৰী কলিতা, *সহকাৰী অধ্যাপিকা*

ছাত্ৰী সদস্যা ঃ মণিষা ডেকা, সম্পাদিকা, সাহিত্য-সংস্কৃতি চ'ৰা
জুৰী হালৈ, সহঃ সম্পাদিকা, সাহিত্য-সংস্কৃতি চ'ৰা
বন্দনা গগৈ, প্ৰাচীৰ পত্ৰিকাৰ সম্পাদিকা

প্ৰকাশক ঃ সাহিত্য-সংস্কৃতি চ'ৰা,অসমীয়া বিভাগ
সন্দিকৈ ছোৱালী মহাবিদ্যালয়

## সূচীপত্ৰ

| | | |
|---|---|---|
| বিভাগীয় প্ৰধানৰ একাষাৰ .... | মণিমায়া বৰদলৈ | ২ |
| কৃতী ছাত্ৰীৰ অনুভৱ | | ২ |
| সিদ্ধান্ত | প্ৰিয়ংকা শৰ্মা | ৩ |
| ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ এক তুলনামূলক আলোচনা | ড° শুভশ্ৰী কলিতা | ৪ |
| আপোনাক আনে কেনেদৰে মনত ৰখাটো বিচাৰে | তৃষ্ণা দাস | ৫ |
| সাম্প্ৰতিক অসমীয়া ভাষা চৰ্চাত অসমীয়া বাক্যতত্ত্ব বিশ্লেষণৰ প্ৰচেষ্টা | ড° লক্ষী হাজৰিকা | ৬ |
| মামণি ৰয়ছমৰ উপন্যাসত নাৰী চৰিত্ৰ | জ্যোৎস্না দেৱী | ৯ |
| একাঁজলি শ্ৰদ্ধা | মৃদুস্মিতা দাস | ১০ |
| মানৱতাবাদী শিল্পী ঃ ড° ভূপেন হাজৰিকা | পল্লৱী মহন্ত | ১১ |
| অসমীয়া ভাষাৰ স্বকীয়তা | লাকী দাস | ১২ |
| বন্ধুত্বৰ ৰং | অৰ্চনা দাস | ১৪ |
| কৌতুক | | ১৫ |
| নেদেখাজনৰ প্ৰতি কৃতজ্ঞতা | মানসী বৈশ্য | ১৬ |
| নাৰী | মণিমায়া বৰদলৈ | ১৭ |
| জোনাক বিচাৰি | কনিকা দাস | ১৭ |
| তোমাৰ হৃদয়েৰে | বিউতি ওৱাৰী | ১৮ |
| মৃতদেহৰ আহ্বান | চুনু হাজং | ১৮ |
| ৰবষাৰ বতৰা | বিদিশা বৈশ্য | ১৮ |
| স্মৃতি | কাকলি ডেকা | ১৯ |
| নদী-দ্বীপৰ ৰূপকথা | ভাগ্যশ্ৰী মজুমদাৰ | ১৯ |
| আহিবাচোন বন্ধু এদিন ! | কবিতা হাজৰিকা | ২০ |
| শৰৎ | মঞ্জুৰী পাতিৰি | ২০ |
| মোক এখন আকাশ দিয়া | দীপিকা দেৱী | ২০ |

## সম্পাদকীয় ....

অসমৰ সমাজ তথা সাহিত্যই সময়ে সময়ে বহু সমস্যাৰে ভাৰাক্ৰান্ত হৈ আহিছে। তথাপি কোনো সমস্যাই অসমৰ মানুহৰ সাংগঠনিক ঐক্যসূত্ৰ লগতে সৃজনশীল মনৰ প্ৰতিবন্ধক হ'ব পৰা নাই। বৰঞ্চ সমস্যাবোৰে অসমীয়াৰ সামাজিক, সাংস্কৃতিক একতাক দৃঢ় কৰিহে তুলিছে। অসমৰ চৌদিশ আজি প্ৰতিবাদেৰে মুখৰ। এই প্ৰতিবাদ হয়তো কেতিয়াবা অধিকাৰৰ বাবে, কেতিয়াবা ন্যায়ৰ বাবে বা কেতিয়াবা অপৰাধীক উচিত শাস্তি বিহাৰ বাবে। সমাজ সচেতকসকলৰ এনে প্ৰতিবাদক হৃদয়ংগম কৰি আমি নজনাকৈ আমাৰ শিপাডাল খামুচি আছোঁ। তেনেক্ষেত্ৰত সৃজনশীল সত্তাই অসমৰ আবহাৱাক গভীৰ আবেগ প্ৰৱণভাৱে বান্ধি ৰাখিছে। অসমীয়াৰ সৃষ্টিশীল মনৰ বীজ সাহিত্য-সংস্কৃতি আজি বিশ্ব দৰবাৰত সুপৰিচিত হৈছে।

তথ্য-প্ৰযুক্তি তথা চ'ছিয়েল নেটৱৰ্কিং ধাৰণাত অসমীয়া যুৱ-প্ৰজন্ম সময়ৰ লগে লগে সোমাই পৰিছে; আৰু নিজৰ ঐতিহ্য পৰম্পৰাক পৰিহাৰ কৰাৰ উপক্ৰম দেখা গৈছে। এনে প্ৰেক্ষাপটত প্ৰশ্ন হয় শুকাই যাব নেকি অসমীয়া সাহিত্য-সংস্কৃতিৰ মজ্জাখিনি ! অৱশ্যে ক'ব পাৰি সৃজনশীলতাক কেতিয়াও বান্ধি ৰাখিব নোৱাৰি। সৃজনশীলতাৰ তাগিদাতে সৃষ্টি হৈ থাকিব প্ৰতিনিয়ত নতুন নতুন সৃষ্টি — সাহিত্য, সংস্কৃতি বা শিল্পৰ ক্ষেত্ৰখনিত।

অসমৰ নাৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ 'সাহিত্য-সংস্কৃতি চ'ৰা'ৰ উদ্যোগত প্ৰাণ পাই উঠা বিভাগৰ পত্ৰিকা 'উত্তৰণে' বিভাগৰ প্ৰতিগৰাকী ছাত্ৰীক অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনিত বিচৰণ কৰাৰ সুবিধা প্ৰদান কৰি আহিছে বহু আগৰে পৰা। 'উত্তৰণ'ত প্ৰকাশ হোৱাৰ আশাৰে ছাত্ৰীসকলে সৃজনশীল মনেৰে প্ৰবন্ধ, কবিতা, গল্প আমাৰ হাতত তুলি দিছিল। এইখিনিতে তত্ত্বাৱধায়িকাৰ তৰফৰ পৰা প্ৰত্যেকগৰাকী ছাত্ৰীলৈ আহ্বান, উত্তৰণত প্ৰকাশ হোৱাৰ আপাহত তোমালোকৰ মন-মগজুৰে সৃষ্টি কৰাৰ যি প্ৰচেষ্টা চলাইছিল সেইয়া অব্যাহত ৰাখা। বিষয়বস্তু উপস্থাপনৰ শৈলী, বাক্য গাঁথনিৰ প্ৰয়োগ, প্ৰাচুৰ্যৰে ভৰা শব্দৰ লগত কছৰৎ, অধ্যয়ন পিপাসু মনেৰে তোমালোকৰ সৃজনশীলতাক প্ৰকাশ কৰি যোৱা। জন্ম হৈয়ে আমি শিল্পী-সাহিত্যিকেৰে বিভূষিত নহওঁ। এই ক্ষেত্ৰখনিত স্থিতি ল'বলৈ নিজকে বাৰে বাৰে চহাবই লাগিব। কিন্তু কুম্ভীলকৰ আদৰ্শৰে নহয়।

শেহত 'উত্তৰণ'খন খুউব ক'ম সময়ত উলিয়াব লগা হোৱাত কিছু ভুল-ত্ৰুটি ৰৈ যাব পাৰে। বিভাগৰ মুৰব্বী অধ্যাপিকা মণিমায়া বৰদলৈ বাইদেউ প্ৰমুখ্যে মনজ্যোৎস্না বাইদেউ, হাজৰিকা চাৰ, কৰবী বা, বন্ধুসম শুভশ্ৰীৰ উপদেশ-পৰামৰ্শ তথা সহায়-সহযোগিতাৰ বাবে তেওঁলোকলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মাথোঁ চাৰিদিনত 'উত্তৰণ'খনি প্ৰকাশ কৰিবলৈ আগবাঢ়ি অহা 'এম. টেক্ট' প্ৰেছলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সুৰভি বিকাশ বৰা

# বিভাগীয় প্ৰধানৰ একাষাৰ .....

অসমীয়া বিভাগৰ 'সাহিত্য সংস্কৃতি চ'ৰা'ৰ উদ্যোগত প্ৰকাশ পোৱা উত্তৰণ পত্ৰে-পুষ্পে বিকশিত হৈ এজোপা সুন্দৰ বৃক্ষ হোৱাৰ পথত ধাৱমান হৈছে। উত্তৰণ অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়ত্ৰী আৰু অসমীয়া প্ৰধান বিষয়ৰ ছাত্ৰী সমূহৰ সাহিত্য চৰ্চাৰ থলী। কঠিয়াতলীত শইচ বোৱাৰ দৰে ছাত্ৰী সকলৰ সাহিত্য প্ৰতিভাৰ একপ্ৰকাৰ অংকুৰিত হয় 'উত্তৰণ'ৰ পাতত। সেয়া ভৱিষ্যতে একোজোপা মহীৰূহো হ'ব পাৰে।

শিক্ষক-ছাত্ৰী সন্মিলিত প্ৰচেষ্টাত সজীৱ হৈ উঠা উত্তৰণখন সৰ্বাঙ্গ সুন্দৰ ৰূপত অগ্ৰসৰ হওঁক। এই সাহিত্যিক প্ৰচেষ্টা অনাগত দিনত পাঠেয় হওঁক। উত্তৰণলৈ একাঁজলি সতেজ শুভ কামনাৰে —

মণিমায়া বৰদলৈ

---

# কৃতী ছাত্ৰীৰ অনুভৱ

**২০১২ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয় অন্তৰ্গত স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ১২ গৰাকী ছাত্ৰীয়ে অসমীয়া বিষয়ত প্ৰথম শ্ৰেণী লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। সেই কৃতী ছাত্ৰীকেইগৰাকীৰ এয়া একান্ত অনুভৱ ......**

ঐতিহ্যমণ্ডিত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ঐতিহ্যত সোণত সুৱগা চৰাই মহাবিদ্যালয়খনৰ জ্যোতিষ্মান অসমীয়া বিভাগটোৱে। ২০০৯ চনত এই মহাবিদ্যালয়ৰ অসমীয়া বিভাগত নাম ভৰ্তি কৰি ৩ বছৰৰ যি যুগমীয়া অভিজ্ঞতা আৰু স্মৃতিৰ জোলোঙা সাজিলোঁ তাত বিভাগৰ আটাইকেইগৰাকী শিক্ষকৰ অৱদান চিৰনমস্য হৈ ৰ'ল মোৰ বাবে। মোৰ পিতৃ-মাতৃস্বৰূপ এইসকল শিক্ষাগুৰুৰ উৎসাহ, প্ৰেৰণা অবিহনে মোৰ এই সফলতা অসম্ভৱ আছিল। যেতিয়াই তেওঁলোকৰ ওচৰত যি বিষয়কে লৈ সহায়ৰ বাবে হাত পাতিছো তেতিয়াই তেওঁলোকৰ পৰা আশানুযায়ী সঁহাৰি পাইছোঁ। যিকোনো ক্ষেত্ৰতে এগৰাকী সু-পৰামৰ্শদাতা হিচাপে কাষতে পাইছিলোঁ নিসংকোচে, নিৰ্ভয়ে। তাৰ বাবে আজি প্ৰতিগৰাকী শিক্ষাগুৰুৰ ওচৰত শলাগৰ শৰাই আগবঢ়ালোঁ আৰু অকপটে স্বীকাৰ কৰোঁ যে এইসকল মহাগুৰুৰ অবিহনে বিভাগৰ ভৱিষ্যত অনুজ্জল, সফলতা নিৰৰ্থক। সেয়েহে শেষত বিভাগীয় শিক্ষাগুৰু সকলৰ সু-স্বাস্থ্যৰ কামনা কৰিলোঁ আৰু আটাইৰে পৰা জীৱনত এগৰাকী সৎ ব্যক্তি হোৱাৰ উদ্দেশ্যে শুভাশিষ বিচাৰিছোঁ।

— টুটুমণি দাস

(প্ৰথম শ্ৰেণীৰ ২য় স্থান প্ৰাপ্ত)

দীঘলীপুখুৰী পাৰৰ বিখ্যাত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ সুবাসে আজিও মোক আমনি কৰে। সেয়েহে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে ঐতিহ্যমণ্ডিত বিশ্ববিদ্যালয়ত ভৰি দিয়ো তাৰ চুকে-কোণে সন্দিকৈৰ সুবাসৰ বাবে তৃষ্ণাতুৰ হৈ পৰোঁ। কিন্তু সততে ব্যৰ্থ হওঁ। সঁচাকৈয়ে সন্দিকৈ কলেজৰ 'অসমীয়া বিভাগ'ৰ শিক্ষাগুৰুসকল অনন্য। তেওঁলোকৰ আপোন ভাৱ, সন্তানস্বৰূপ প্ৰীতি আদিৰ বাবেই আজি প্ৰায়বোৰ ছাত্ৰীয়ে সফলতাৰ উৰ্দ্ধত। তেওঁলোকৰ আমাৰ প্ৰতি থকা একাণপতীয়া বিশ্বাসৰ হেতুকে আমি জীৱনত এইখিনি সফলতা লাভ কৰিলোঁ। এই বিভাগৰ আটাইকেইগৰাকী শিক্ষকৰ প্ৰতি মই অন্তৰৰ পৰা শ্ৰদ্ধা নিবেদন কৰিছোঁ আৰু বিভাগটো জাকত-জিলিকা হৈ পৰক তাৰে কামনা কৰিছোঁ।

—ছাজিদা শইকীয়া

সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগটো মোৰ বাবে আছিল ঘৰ আৰু শিক্ষাগুৰুসকল মোৰ পিতৃ-মাতৃ তুল্য। তেওঁলোকৰ ওচৰত মই সদায় ঋণী হৈ থাকিম।

— অৰ্পিতা দাস

বিভাগৰ ছাৰ-বাইদেউসকলৰ লগতে মা-দেউতাৰ আশীৰ্বাদ আৰু বান্ধৱীসকলৰ উৎসাহে মোক জীৱনৰ এইখিনি সফলতা প্ৰদান কৰিছে।

সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু উজলি উঠক; তাৰেই কামনা কৰিলোঁ।

— ঋতুস্মিতা শইকীয়া

ছাৰ-বাইদেউসকলৰ বন্ধুত্বসুলভ মৰম-চেনেহ, অভিভাৱসুলভ অনুশাসনৰ লগতে তেওঁলোকৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰ ফলস্বৰূপে আজি মই গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ সক্ষম হৈছোঁ। তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

— দীপ্তি দাস

.... আমাৰ গৌৰৱ যে আমি সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী আছিলোঁ। এই বিভাগটোৰ ছাৰ, বাইদেউ সকলৰ সৈতে কটোৱা প্ৰতিটো মুহূৰ্তই মোৰ ভৱিষ্যৎ জীৱনত আগুৱাই যোৱাৰ সপোন স্বৰূপ হৈ ৰ'ব।

— দেৱশ্ৰী কলিতা

সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সৈতে জড়িত হৈ মই ধন্য মানিছোঁ। এই বিভাগৰ কৃতিত্বৰ অংশীদাৰ হ'বলৈ পাই মই গৌৰৱান্বিত।

**— তৃষ্ণা দাস**

সৰুৰে পৰা এটা সপোন আছিল — এই মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ। এদিন সপোন সফল হ'ল। গুৰু বিষয় হিচাপে অসমীয়া বিষয়টো লৈ মই বিভাগটোৰ সৈতে জড়িত হ'লোঁ। ছাৰ-বাইদেউসকল শিক্ষাদান আৰু অভিভাৱকসুলভ মৰম আৰু অনুশাসনৰ ফলত মই মোৰ জীৱনৰ বাটত খোপনি লাভ কৰিছোঁ।

**— ইলা ইয়াছমিন**

সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগটো মোৰ সপোনৰ থলী। যি সপোন লৈ মই এই বিভাগটোলৈ আহিছিলোঁ, সেই সপোন আজি সফল হ'ল। তাৰবাবে মই মোৰ মা, দেউতা আৰু মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ ওচৰত আজি মূৰ দোঁৱাইছোঁ।

**— গীতিকা হালৈ**

সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগত অসমীয়া বিষয়টো গুৰু হিচাপে লৈ তিনি বছৰ শিক্ষা গ্ৰহণ কৰিলোঁ। মই উপকৃত হ'লোঁ। মোৰ এই ফলাফলৰ আঁৰত নিঃসন্দেহে ছাৰ, বাইদেউ আৰু মোৰ অভিভাৱসকলৰ অৱদান আছে। অসমীয়া বিভাগৰ উন্নতি কামনাৰে।

**— জয়শ্ৰী দাস**

জয়তু সন্দিকৈ ছোৱালী মহাবিদ্যালয়। জয়তু অসমীয়া বিভাগ।

**— হেমাঞ্জলী চৌধুৰী**

এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ অসমীয়া বিভাগটোৰ পৰা যথেষ্ট উপকৃত হৈছোঁ। প্ৰতিটো খোজতে ছাৰ-বাইদেউৰ উৎসাহ-উদ্দীপনাই আজি মোৰ জীৱনত এটা সুন্দৰ পথত আগবাঢ়ি যাবলৈ সহায় কৰিছে। তেখেতসকলৰ ই চিৰঋণী হৈ ৰ'ম।

**— ডেউজী ডেকা**

---

# সিদ্ধান্ত

**প্ৰিয়ংকা শৰ্মা**
*স্নাতক প্ৰথম যান্মাসিক*

আকাশত ধুনীয়া জোনটোক ক'লীয়া মেঘে আৱৰি ধৰিছে। অনামিকাই বেলকনিত থিয় হৈ আছে। অবিনস্ত চুলি, অসংযত কাপোৰ-কানিৰে তাইক এটা বিষাদগ্ৰস্ত ছায়ামূৰ্তি যেন লাগিছে। শাশ্বতৰ কৰ্মকাণ্ডই তাইক আজি এটা সিদ্ধান্তত উপনীত হ'বলৈ আহ্বান জনাইছে।

অনামিকা বৰুৱা, বিখ্যাত ব্যৱসায়ী শাস্বত বৰুৱাৰ নৱ-বিবাহিতা পত্নী। কিন্তু সামাজিকভাৱে পত্নীৰ মৰ্যাদা পালেও বৈবাহিক জীৱনত তাই এলাগী হৈয়ে আছে। অনামিকা ঘৰখনৰ একমাত্ৰ সন্তান। সৰুতে মাক ঢুকুৱাৰ পিছত দেউতাক আৰু আইতাকৰ মৰমৰ উমতে তাই ডাঙৰ-দীঘল হৈছিল। ঘৰখনৰ তিনিটা প্ৰজন্মৰ পিছত জন্মা একমাত্ৰ ছোৱালী বাবে তাই সকলোৰে পৰা খুবেই মৰমৰ পাইছিল। পঢ়াত তই খুব চোকা আছিল। সেয়ে বি.এ. পাছ কৰাৰ পিছত তাই গুৱাহাটী বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ আহিছিল। কিন্তু গুৱাহাটীৰ বিখ্যাত ব্যৱসায়ী শাশ্বত বৰুৱাৰ পৰা বিয়াৰ প্ৰস্তাৱ অহাত তাইৰ এম. এ. পঢ়াৰ সপোন আধাতে সামৰিলে। বৰ ধুম-ধামেৰে তাইৰ শাশ্বতৰ লগত বিয়া হ'ল। হোমৰ গুৰিত বহুত সপোন ৰচি তাই শাশ্বতক নিজৰ স্বামী বৰণ কৰিলে। কিন্তু ফুলশয্যাৰ দৰে বহুতো নিশা উজাগৰী কটোৱাৰ পিছতো শাশ্বত বৰুৱা তাইৰ কাষলৈ নাহিল। ইয়াৰ কাৰণটো নো কি জনাৰ বাবে তাই উৎসুক হৈ পৰিল। কিন্তু জনাৰ উপায় নাছিল। কাৰণ ৰাতিপুৱাই শাশ্বত ওলাই যায় আৰু দোভাগ ৰাতিহে ঢলং পলংকৈ ঘৰলৈ আহে। কিন্তু অতি সোনকালেই তাই ইয়াৰ ৰহস্যভেদ কৰিলে। সুৰা আৰু পৰনাৰীৰ প্ৰতি থকা আসক্তিয়েই ইয়াৰ মূল কাৰণ। তেওঁ নিজৰ পি.এ. জনীৰ লগতো এটা অবৈধ সম্পৰ্ক গঢ়ি তুলিছে। অনামিকাই এদিন তাইৰ ঘৰলৈ গ'ল। তাইক হাতযোৰ কৰি অনামিকাই সংসাৰখন নাভাঙিবলৈ ক'লে। কিন্তু ইয়াৰ ফলাফল তাই অতি সোনকালে পালে। ৰাতি শাশ্বতে ঘৰলৈ আহি তাইক নানা ধৰণৰ শাৰীৰিক আৰু মানসিক অত্যাচাৰ কৰিলে। আনকি এতিয়া আকৌ শাশ্বতে তাইক প্ৰাণে মৰাৰো ভাবুকি দিছে। অনামিকাই এইবোৰ কথা কাকো ক'ব নোৱাৰে। ক'বই বা কাক ..........? মাক থকা হ'লেও এক বেলেগ কথা আছিল। এতিয়াতো.........। সমাজক দেখুৱাই তাই সুখী দম্পত্তিৰ ভাও দিছে। কিন্তু তাইৰ অন্তৰত জ্বলা বিষাদৰ জুইকুৰা জানো কোনোবাই দেখিছে? ৰাজপ্ৰসাদৰ ভোগ-বিলাসৰ মাজতো তীব্ৰ হলাহল বিষ থাকে।

অনামিকাই আজি এটা সিদ্ধান্ত লৈছে, য'ত কেৱল তাইৰ বিবেকে প্ৰাধান্য পাইছে। বৰ্তমানলৈকে তাইৰ সকলো সিদ্ধান্ত তাইৰ পৰিয়ালে লৈছে। কিন্তু এতিয়াৰে পৰা তাই সকলো সিদ্ধান্ত নিজে ল'ব। দুখন কাপোৰ আৰু এমুঠি ভাতৰ বাবে তাই আত্মসন্মানক বন্ধকত নাৰাখে। তাইৰ জীৱনটোক লৈ কোনেও হেতালি খেলিব নোৱাৰে। তিল্ তিল্কৈ জীৱন আহুতি দিয়াতকৈ তাই এই বন্ধনৰ পৰা মুক্ত হ'ব। এই বহল পৃথিৱীখনত তাইৰ বাবে নিশ্চয় এটুকুৰা ঠাই হ'ব। কথাষাৰ ভাবি তাই মনটো ফৰকাল লাগিল। আকাশৰ জোনটোও ডাৱৰ ফালি ওলাই আহিল। মায়াময় ৰূপালী জোনাকে গোটেই ঠাই টুকুৰা পোহৰাই তুলিছে। জোনাকী পৰুৱাজাকে সিহঁতৰ অকণি অকণি পোহৰেৰে তাইক সহায় কৰিবলৈ আগবাঢ়ি আহিল।

# ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ এক তুলনামূলক আলোচনা

ড° শুভশ্ৰী কলিতা

প্ৰাক্-শংকৰী যুগৰ পৰাই অসমীয়া সাহিত্যই ভাৰতীয় সাহিত্য-সংস্কৃতিৰ লগত সংযোগ ৰক্ষা কৰি আহিছে। ৰামায়ণ-মহাভাৰতৰ কাহিনীয়ে ত্ৰয়োদশ শতিকাতে অসমীয়া সাহিত্যত ঠাই পাইছিল। পঞ্চদশ-ষোড়শ শতিকাত বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৃত্য-গীত-ভাওনাৰ জৰিয়তে বিশাল ভাৰতীয় সংস্কৃতিৰ লগত অসমীয়া মানুহক পৰিচয় কৰি দিছিল। সৰ্বভাৰতীয় ভক্তি আন্দোলনত শংকৰদেৱৰ ভূমিকা আছিল অপৰিসীম। মৈথিলী অৱহটঠ আৰু পুৰণি অসমীয়া মিশ্ৰিত ভাষা ব্ৰজাৱলীৰ ব্যৱহাৰ, বিভিন্ন অনুবাদ গ্ৰন্থৰ দ্বাৰা তেওঁ অসমীয়াৰ ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত এক নৱজাগৰণৰ সূচনা কৰিছিল। তেওঁৰ অংকীয়া নাটসমূহত একেলগে সংস্কৃত, অসমীয়া আৰু ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ মনকৰিবলগীয়া। এইটো সঁচা যে সাহিত্য জগতত তুলনামূলক সাহিত্য বিষয়টো এক নতুন ধাৰণা আৰু শংকৰদেৱেও তুলনাৰ বাবে সাহিত্যচৰ্চা কৰা নাছিল কিন্তু অসমীয়া সাহিত্যক সৰ্বভাৰতীয় সাহিত্যৰ লগত একাত্ম কৰাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

পাশ্চাত্য শিক্ষা প্ৰসাৰৰ লগে লগে ভাৰতৰ জাতীয় জীৱনত এক নৱজাগৰণৰ সূচনা হয়। ভাৰতীয়সকলৰ অন্তৰত জাগি উঠা জাতীয়তাবোধ আৰু স্বাধীনতা স্পৃহাক এই শিক্ষাই বেছি প্ৰকট কৰি তুলিলে। ঊনৈশ শতিকাৰ শেষৰফালে গঢ় লৈ উঠা এনে নৱ জাগৰণৰ পটভূমিত বংগদেশত ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু অসমত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত সাহিত্যৰ আটাইতকৈ জনপ্ৰিয় বুলি পৰিগণিত অংগ চুটি গল্পই আত্মপ্ৰকাশ কৰে। এই দুজন বঙলা আৰু অসমীয়া সাহিত্যিকৰ সাহিত্যকৰ্মৰ মাজত তুলনা আগবঢ়ালে দুই জাতিসত্বাৰ মাজত থকা সাদৃশ্যসমূহ অনুধাৱন কৰিব পৰা যাব আৰু ইয়ে দুয়োটা জাতিকে এক সম্প্ৰীতিৰ এনাজৰীৰে বান্ধ খোৱাৰ পথ প্ৰশস্ত কৰিব। জাতীয় ঐক্য শক্তিশালী কৰিবলৈ ভাৰতীয় ভাষা সাহিত্যৰ এক পুংখানুপুংখ বিশ্লেষণ অতীৱ প্ৰয়োজন। এই উদ্দেশ্য আগত ৰাখি দুয়োজন সমসাময়িক প্ৰথিতযশা সাহিত্যিকৰ চুটিগল্পৰ এক তুলনামূলক ব্যাখ্যা অতি সংক্ষিপ্ত ৰূপত দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

জাতীয় ঐতিহ্য আৰু নিজৰ জাতিসত্বাক প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰা বংগীয় সাহিত্যৰ কৰ্ণধাৰস্বৰূপ ৰবীন্দ্ৰ নাথৰ লগত অসমীয়া সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰি অন্য ভাৰতীয় ভাষাৰ লগত ফেৰ মাৰিব পৰা স্থিতিত উপনীত কৰিবলৈ যত্নপৰ হোৱা বেজবৰুৱাৰ সাহিত্যকৰ্মৰ তুলনাত্মক অধ্যয়ন নিশ্চয় প্ৰাসংগিক।

চুটিগল্পৰ প্ৰসংগত দুয়োজনৰে কথা একেলগে মনলৈ আহে কিয়নো দুয়োজনেই ভাৰতীয় সাহিত্যত সাৰ্থক চুটি গল্পকাৰ। চুটিগল্প পাশ্চাত্য সাহিত্যৰ ফচল যদিও ভাৰতীয় জাতীয় জীৱনৰ পটভূমিত দুয়োজনে গল্প লিখি ভাৰতীয় সাহিত্যৰ চুটি গল্পৰ ইতিহাসত এক নতুন ধাৰাৰ সৃষ্টি কৰিলে। ৰবীন্দ্ৰ নাথৰ গল্পসমূহ দেশ-জাতিৰ ভৌগোলিক সীমা অতিক্ৰমি এক গভীৰ জীৱনবোধৰ পৰিচায়ক। আনহাতে বেজবৰুৱাই হাস্যৰসসিক্ত চৰিত্ৰবোৰৰ যোগেদি গল্পক আকৰ্ষণীয় কৰি তুলিছে। গল্পৰ বৰ্ণনাশৈলীৰ ক্ষেত্ৰত ৰবীন্দ্ৰনাথে যি পৰিমিতিবোধ দেখুৱাইছে বেজবৰুৱাই তাক ফুটাই তুলিবলৈ সাৰ্থক হোৱা নাছিল। সেয়ে তেওঁৰ গল্পৰ কাহিনীভাগ বক্তব্য আৰু বৰ্ণনাবহুলতাৰ মাজতে হেৰাই গৈছিল। কিন্তু কাহিনীৰ ঐক্য অটুত ৰখা, ব্যঞ্জনা, শ্লেষৰ ব্যৱহাৰ আৰু উৎকণ্ঠাৰ মাজেদি কাহিনীৰ ৰসস্বাদন কৰোৱাৰ ক্ষেত্ৰত দুয়োজন গল্পকাৰ সিদ্ধহস্ত আছিল।

দুয়োজন লেখকৰ ক্ষেত্ৰত মনকৰিবলগীয়া এটা বৈশিষ্ট্য হ'ল ভাৰতীয় জাতীয় জীৱনৰ মূৰ্ত ছবি দুয়োৰে গল্পত বিদ্যমান। বেজবৰুৱাই সাধুকথাৰ অৱলম্বনত চুটি গল্প ৰচনা কৰিছিল। আমাৰ জাতীয় জীৱনৰ আশা-আকাংক্ষা, সুখ-দুখৰ লগতে সমাজৰ প্ৰচলিত কেৰোণসমূহ — গোড়ামি, কু-সংস্কাৰ, দুৰ্নীতি, অন্ধবিশ্বাস আদি সকলো এই সাধুকথাবোৰৰ লগত সাঙোৰ খাই আছিল। এই সাধুকথাবোৰৰ মাজেদি তেওঁ আমাৰ জাতীয় জীৱনটোক ভালদৰে উপলব্ধি কৰিব পাৰিছিল আৰু ফলস্বৰূপে এইবোৰে তেওঁৰ গল্পৰ কাহিনী, চৰিত্ৰৰ ওপৰত ৰেখাপাত কৰিবলৈ সক্ষম হৈছিল। সেইকাৰণে তেওঁৰ প্ৰায়ভাগ গল্পকে সাধুকথা আৰু আধুনিক চুটিগল্পৰ সংযোগ সেতু বুলি সমালোচক ড° শৈলেন ভৰালীয়ে অভিহিত কৰিছে এইদৰে —

"তেওঁ (লক্ষ্মীনাথ বেজবৰুৱা)ৰ ভালেমান গল্প পুৰণি সাধু আৰু আধুনিক চুটিগল্পৰ সংযোগ-সেতু।"

বেজবৰুৱাই শৈশৱতে পিতৃৰ লগত আমাৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰোঁতে অসমৰ বিভিন্ন জনগোষ্ঠীৰ লগত সংস্পৰ্শলৈ আহিছিল আৰু তেওঁলোকৰ জীৱনৰ প্ৰাণস্পন্দন তেওঁ অনুভৱ কৰিব পাৰিছিল। জীৱনৰ পৈণত বয়সত তেওঁ অসমৰ বাহিৰত থাকিবলগীয়া হোৱাত ভাৰতৰ অন্যান্য ৰাজ্য বংগ, উৰিষ্যা আদিৰ সমাজ-ব্যৱস্থাৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ পৰিছিল আৰু তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, জীৱনৰ হাঁহি-কান্দোন, দুখ-বেজাৰৰ চিত্ৰবোৰ তেওঁৰ মনত সদায় সজীৱ হৈ আছিল। সেইকাৰণে তেওঁৰ গল্পসমূহত অসমীয়া সমাজৰ উপৰিও ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ সমাজ-ব্যৱস্থাৰ প্ৰতিচ্ছবিও দেখিবলৈ পাওঁ। বিশাল মানৱতাৰ পটভূমিত ৰচিত হোৱা তেওঁৰ গল্পসমূহে অন্য সমাজৰ চিত্ৰ দাঙি ধৰিলেও সেইবোৰৰ মাজত গঢ় লৈ উঠা গভীৰ মানৱীয় আবেদনৰ বাবে যিকোনো মানুহে গল্পৰ কাহিনী, চৰিত্ৰৰ লগত একাত্ম হৈ পৰে।

জনজীৱনৰ লগত গভীৰ আত্মীয়তাৰ আঁত ধৰিয়েই সৃষ্টি হৈছিল ৰীবন্দ্ৰ নাথৰো গল্পসমূহ। তেওঁৰ গল্পসমূহত জনজীৱনৰ মাটি-পানীৰ গোন্ধ থকা হেতুকে এইবোৰে পাঠকৰ অন্তৰত গভীৰভাৱে সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। জমিদাৰী পৰিচালনা কৰিবলৈ তেওঁ শিলাইদহত থকাৰ পৰিপ্ৰেক্ষিতত বঙালী

গাঁৱলীয়া জীৱনৰ লগত তেওঁৰ পৰিচয় ঘটে আৰু সেই সমাজৰ সুখ-দুখ, হাঁহি-কান্দোন, দুখ-দুৰ্দশাৰ লগত ওতপ্ৰোতঃভাৱে জড়িত হৈ পৰে। গাঁৱৰ বাট-পথ, মনোৰম প্ৰাকৃতিক পৰিৱেশত তেওঁ নিজকে হেৰাই পেলালে। ৰোমান্টিক কল্পনা আৰু ৰহস্যময়তাৰ মাজত তেওঁৰ মানৱীয় সত্বা আলোড়িত হৈ পৰিল। গাঁৱৰ চহা জীৱনৰ সৰলতাই তেওঁক মুগ্ধ কৰিলে আৰু এই সহজ-সৰল গ্ৰাম্য জীৱনৰ পটভূমিতেই ৰচিত হৈছে তেওঁৰ অমৰ গল্পসমূহ। এই গল্পসমূহে তেওঁৰ মানৱতাবোধক জয়যুক্ত কৰিছে।

সেইসময়ত দেশৰ ৰাজনৈতিক অৱস্থাই দুয়োজন লেখকক জাতীয়তাবাদী চিন্তাৰে উদ্বুদ্ধ কৰি তুলিছিল। দুয়োজনৰে লেখনীত পৰাধীনতাৰ প্ৰতি তীব্ৰ বিষোদগাৰ ফুটি উঠিছিল। ভাৰতীয় সংস্কৃতিৰ গৌৰৱোজ্জ্বল অতীত ৰোমন্থন কৰি তেওঁলোকে মুক্তিৰ চেতনাক গল্পৰ মাজেদি প্ৰকট কৰি তুলিবলৈ সক্ষম হৈছিল।

ধনতান্ত্ৰিক সমাজখনৰ শোষণ, অৰ্থনৈতিক সংকট, শাসকৰ দমন নীতিৰ ওচৰত সেও মানি নিজৰ আত্মগৌৰৱক জলাঞ্জলি দিয়া সুবিধাবাদীৰ চৰিত্ৰ, যুৱ শক্তিৰ নৈতিক স্খলন দুয়োজন গল্পকাৰৰ ৰচনাত ফুটি উঠিছে। ইংৰাজী শিক্ষাৰে শিক্ষিত যুৱচামে কেনেদৰে শ্ৰমবিমুখ হৈ স্বাধীনতাৰ হুকে মাত মতাৰ পৰিৱৰ্তে নিজে ইংৰাজ শাসকৰ শৰণাপন্ন হৈ পৰাধীনতাৰ গ্লানিক পাহৰি গৈছে তাক দুয়োজনাৰ গল্পৰ মাজেদি প্ৰকাশ পাইছে আৰু তেওঁলোকৰ আদৰ্শভ্ৰষ্টতাক দুয়োজনা গল্পকাৰে তীব্ৰ ভাষাৰে নিন্দা কৰিছে। সাধাৰণ জনগণক আদৰ্শৰ পৰা বিচলিত হ'ব নিদিয়া প্ৰয়াসৰ মাজত দুয়োৰে জাতীয় চেতনাৰ উমান পোৱা যায়।

দুয়োজন লেখকৰ গল্পৰ মাজত একে সুৰ অনুৰণিত হোৱাৰ অন্য এক কাৰণ হ'ল দুয়ো আধ্যাত্মিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত। মানৱতাবাদী ভাৱধাৰাও এই আধ্যাত্মিকতাৰেই প্ৰতিফলন বুলি ক'ব পাৰি।

ৰবীন্দ্ৰ নাথ ঠাকুৰৰ পৰিয়ালৰ লগত বেজবৰুৱাৰ বৈবাহিক সম্পৰ্ক হোৱা হেতুকে তেওঁৰ ঠাকুৰ পৰিয়ালৰ ভাৱাদৰ্শ, চিন্তাজগতৰ লগত প্ৰত্যক্ষ সংযোগ ঘটিছিল আৰু সেই কাৰণে আমি বেজবৰুৱাৰ গল্পত ৰবীন্দ্ৰনাথৰ মতাদৰ্শৰ মিল-অমিল লক্ষ্য কৰোঁ।

গল্পৰ কলা-কৌশলৰ ক্ষেত্ৰত ৰবীন্দ্ৰ নাথে যি পাৰদৰ্শিতাৰ পৰিচয় দিছে বেজবৰুৱাই সেয়া দেখুৱাব পৰা নাই। প্ৰায় ক্ষেত্ৰতে বেজবৰুৱাই সাধুকথা কোৱাৰ দৰে গল্পৰ কাহিনী আগবঢ়াই লৈ যায়। এনে কৰাৰ ফলত তেওঁ গল্পৰ আঙ্গিকৰ প্ৰতি বিশেষভাৱে সচেতনতা অৱলম্বন কৰিব পৰা নাই।

আকৌ সাধুকথাৰ ভংগীৰে মানুহৰ জীৱনধাৰাৰ যি সাৰ্থক ৰূপায়ণ বেজবৰুৱাৰ হাতত সম্ভৱ হৈ উঠিছে তাৰ প্ৰকাশ আন ভাৰতীয় গল্পকাৰৰ মাজত খুউব কমেই লক্ষ্য কৰা যায়। তেওঁৰ গল্পবোৰ সাধুকথাৰ দৰে আৰম্ভ হ'লেও তাত বাস্তৱ জীৱনৰ ছবি সুন্দৰভাৱে প্ৰকাশি উঠিছে। ৰবীন্দ্ৰ নাথ ঠাকুৰেও সাধুকথা আৰু বুৰঞ্জীমূলক ঘটনাক নতুন ৰূপত তুলি ধৰি বাস্তৱধৰ্মী গল্প ৰচনা কৰিছে।

আলোচনাৰ অন্তত ক'ব পাৰি যে ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু লক্ষ্মীনাথ বেজবৰুৱাই তেওঁলোকৰ মানৱতাবাদী ভাৱধাৰা, জাতীয় চেতনা গল্পৰ মাজেদি প্ৰকাশ কৰি বৃহত্তৰ ভাৰতীয় জাতি গঠন প্ৰক্ৰিয়াত নিজকে নিয়োজিত কৰিছিল।

---

# আপোনাক আনে কেনেদৰে মনত ৰখাটো বিচাৰে

**সংগ্ৰাহক ঃ তৃষ্ণা দাস**
*স্নাতক তৃতীয় বৰ্ষ*

প্ৰায় এশ বছৰৰ আগত এজন লোকে পুৱাৰ বাতৰি কাকতখন পঢ়িবলৈ মেলি লৈছিল। তেওঁ ভয় আৰু বিস্ময়েৰে তেওঁৰ নামটো "মৃত্যুত শ্ৰদ্ধাঞ্জলি" শিতানত দেখা পালে। সাংবাদিক গৰাকীয়ে ভুলকৈ ব্যক্তি গৰাকীৰ মৃত্যুৰ বাতৰিটো পৰিৱেশন কৰিলে। তেওঁৰ প্ৰথম প্ৰতিক্ৰিয়া আছিল এটা প্ৰচণ্ড চক! তেওঁ সঁচা নে বাতৰিখন সঁচা? তেওঁৰ যেতিয়া বিস্ময়টো আঁতৰিল, মানুহে তেওঁৰ বিষয়েনো কি ভাবে সেই কথাটো জানিবৰ বাবে প্ৰবল আগ্ৰহ হ'ল। বাতৰিটোত তেওঁৰ বিষয়ে এনেদৰে কোৱা হৈছিল, "ডিনামাইটৰ সম্ৰাটৰ মৃত্যু।" লগতে কোৱা হৈছিল, "তেওঁ আছিল মৃত্যুৰ সদাগৰ।" এই লোকজনেই আছিল ডিনামাইটৰ আৱিষ্কাৰক। যেতিয়া তেওঁ "মৃত্যু সদাগৰ" কথাখিনি পঢ়িলে, তেওঁ নিজকে প্ৰশ্ন কৰিলে, "এনেদৰেই বাৰু আনে মোক মনত ৰাখিব নেকি?" তেওঁ সিদ্ধান্ত কৰিলে যে তেওঁ নিশ্চয় এনেদৰে মানুহৰ মনত ৰৈ যোৱাটো নিবিচাৰে। সেইদিনাৰপৰা তেওঁ শান্তিৰ বাবে কাম কৰাত লাগি গ'ল। তেওঁৰ নাম আছিল আলফ্ৰেড নোবেল। তেওঁক আজি নোবেল বঁটাৰ জৰিয়তে মানুহে চিনি পায়। যেনেদৰে আলফ্ৰেড নোবেলে তেওঁৰ অনুভূতিখিনি জুকিয়াই চাই তেওঁৰ প্ৰমূল্য সমূহৰ নতুন সংজ্ঞা দিলে আমিও ঠিক একেদৰে আমাৰ কাম কাজ জুকিয়াই চাই আমাৰ প্ৰমূল্যবোৰ নিৰূপণ কৰিব লাগিব।

আপোনাৰ উত্তৰাধিকাৰ কি? আপোনাক কেনেদৰে আপুনি মনত ৰখাটো বিচাৰে? আপোনাৰ বিষয়ে আনে ভালকৈ ক'বনে? আপোনাক মৰম আৰু শ্ৰদ্ধাৰে আনে মনত ৰাখিবনে? আপোনাৰ অভাৱ কোনোৱে অনুভৱ কৰিবনে?

# সাম্প্ৰতিক অসমীয়া ভাষা চৰ্চাত অসমীয়া বাক্যতত্ত্ব বিশ্লেষণৰ প্ৰচেষ্টা

ড° লক্ষী হাজৰিকা

ভাষাৰ কেন্দ্ৰবস্তু হৈছে বাক্য। ধ্বনি আৰু ৰূপ হৈছে বাক্যৰ উপাদান। বাক্যৰ তুলনাত ধ্বনি আৰু ৰূপ দুয়োটাই সীমিত। পৰম্পৰাগত ভাষা-চৰ্চাত ভাষাবিজ্ঞানীসকল ধ্বনি আৰু ৰূপৰ আলোচনাতেই সীমাবদ্ধ হৈ আছিল। তেওঁলোকৰ আলোচনাত বাক্যতত্ত্বই গুৰুত্ব লাভ কৰা নাছিল। ভাষাবিজ্ঞান চৰ্চাত বাক্যতত্ত্বৰ সূচনা তেনেই অৰ্বাচীন। কুৰি শতিকাৰ দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে পাশ্চাত্য ভাষাবিজ্ঞানী নোৱম চ'মস্কিয়ে বাক্যকেন্দ্ৰিক 'ৰূপান্তৰমূলক সৃজনশীল বা উৎপাদক ব্যাকৰণ' (Transformational Generative Grammar)ৰ সূচনা কৰি আধুনিক ভাষাবিজ্ঞান চৰ্চাক নতুন গতি প্ৰদান কৰে। চ'মস্কিৰ অৱদানক স্বীকাৰ কৰি ডেভিদ ক্ৰিষ্টেলে 'The Cambridge Encyclopedia of Language (Second Edition) গ্ৰন্থত লিখিছে এনেদৰে — "In 1957, Avram Noam Chomsky, Professor of Linguistics at the Massachusetts Institute of Technology (1928), published 'Syntactic Structures', which proved to be a turning point in 20th century linguistics. In this and subsequent publications, he developed the conception of a generative grammar, which departed radically from the structuralism and behaviourism of the previous decades."[১]

চ'মস্কিয়েই প্ৰথমতে ক'লে যে ভাষাৰ মূল হৈছে বাক্য আৰু মানুহৰ মনৰ সৃজনশীলতা। প্ৰত্যেক ভাষাতেই দৰাচলতে সীমিত সংখ্যক সাৰ-বাক্য (Kernal Sentence) থাকে, আৰু মানুহে নিজৰ সৃজনশীল ক্ষমতা প্ৰয়োগ কৰি সেই সাৰ-বাক্যৰ পৰা সীমাহীন বাক্যৰ সৃষ্টি কৰিব পাৰে। চ'মস্কিৰ সৃজনশীল বা উৎপাদক ব্যাকৰণত সাৰ-বাক্যৰ পৰা বাক্য সৃষ্টি প্ৰক্ৰিয়াক গাণিতিক সূত্ৰেৰে বিশ্লেষণ কৰিব পাৰি — "Since the 1950s, Particularly developing from the work of the American linguist Noam Chomsky, there have been attempts to produce a particular type of grammar which would have a very explicit system of rules specifying what combinations of basic elements would result in well-formed sentences .......... This explicit system of rules, it was proposed, would have much in common with the types of rules found in mathematics ......... This mathematical point of view helps to explain the meaning of the term generative, which is used to describe this type of grammar. If you have an algebraic expression like $3x + 2y$, and you can give $X$ and $Y$ the value of any whole number, then that simple algebraic expression can generate an endless set of values, by following the simple algebraic expression can generate an endless set of values, by following the simple rules of arithmatic. When $x = 5$ and $y = 10$, the result is 35. When $x = 2$ and $y = 1$, the result is 8. These results will follow directly from applying the explicit rules. The endless set of such result is 'generated' by the operation of the explicitly formalized rules. If the sentences of a language can be seen as a comparable set, then there must be a set of explicit rules which yield those sentences. Such a set of explicit rules is a generative grammar."[২]

চ'মস্কিয়ে সূচনা কৰা বাক্যতাত্ত্বিক বিশ্লেষণ আধুনিক ভাষাবিজ্ঞানত এক নতুন ধাৰা হিচাপে বিবেচিত হয়। চ'মস্কিৰ ব্যাকৰণক কেন্দ্ৰ কৰিয়েই অতি সাম্প্ৰতিক সময়ত 'Case grammar', Relational grammar, 'X-bar (*x*) theory', 'Montague grammar', 'Generalized pharase structure grammar', 'Functional grammar', 'Realistic grammar', 'Network grammar' আদিৰ উদ্ভাৱন হৈছে।

অসমীয়া ভাষা চৰ্চাত বাক্যতত্ত্বৰ বিশ্লেষণ ৯০ৰ দশকৰ পৰাহে কিছু বিস্তৃতভাৱে হ'বলৈ ধৰে। অৱশ্যে ৮০ ৰ দশকত ইয়াৰ সূচনা কৰে গোলোকচন্দ্ৰ গোস্বামীয়ে। তেখেতৰ গৱেষণা গ্ৰন্থ 'Structure of Assamese' (1982) ৰ শেষৰফালে ৯ পৃষ্ঠাৰ 'Syntax' শীৰ্ষক অধ্যায়টো অন্তৰ্ভুক্ত কৰে। তাত তেওঁ আৰম্ভণিতেই কৈছে যে — "This is an attempt at a presentation of the basic structural pattern of the Assamese utterances; and hence, an approach and not a detailed analysis of the syntax of the language."[৩]

গোলোকচন্দ্ৰ গোস্বামী ৰচিত আন এখন গ্ৰন্থ 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' (১৯৮৭)ত কিছু বিস্তৃতভাৱে ৪০ পৃষ্ঠা জুৰি অসমীয়া বাক্যতাত্ত্বিক বিচাৰ সন্নিবিষ্ট কৰা হৈছে। উক্ত গ্ৰন্থত লিখকে বাক্য বিশ্লেষণৰ বিভিন্ন প্ৰণালী, বাক্যৰ উপাদান, উদ্দেশ্য আৰু বিধেয়, আকাঙ্ক্ষা, যোগ্যতা, আসক্তি, আসন্ন অঙ্গনিৰ্ণয়, খণ্ডবাক্য আৰু গৰ্ভবাক্য, বাক্যৰ প্ৰকাৰ আদিৰ বিষয়ে কিছু বহলাই আলোচনা কৰিছে। অৱশ্যে, এইক্ষেত্ৰতো গোস্বামীয়ে স্বীকাৰ কৰিছে যে, তেখেতৰ এই আলোচনাও বিতং নহয় আৰু তেওঁ প্ৰচলিত পদ্ধতিৰ পৰা আঁতৰি আহিব পৰা নাই। এই বিষয়ে তেখেতে লিখিছে — "বৰ্তমান আলোচিত বাক্যতাত্ত্বিক বিচাৰত প্ৰচলিত পদ্ধতিকে কিমান দূৰ নিৰ্ভুল আৰু যথাৰ্থভাৱে দাঙি ধৰিব পাৰি তাৰ ইঙ্গিত মাথোন প্ৰকাশ পাইছে। প্ৰত্যেকটো দিশৰে বিতং

আলোচনা হ'লেহে অসমীয়া বাক্য গঠনৰ প্ৰকৃত সূত্ৰ উদ্ধাৰ হ'ব।"


১৯৯০ চনৰ পৰা বৰ্তমানলৈকে ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱাই একাধিক প্ৰবন্ধৰ জৰিয়তে অসমীয়া বাক্যতত্ত্বৰ বিষয়ে আলোকপাত কৰিছে। উদাহৰণস্বৰূপে ১৯৯০ চনত 'অসম সাহিত্য সভা পত্ৰিকা'ত প্ৰকাশিত হয় দত্তবৰুৱাৰ 'অসমীয়া বাক্যবিন্যাস' শীৰ্ষক প্ৰবন্ধ। এই বিষয়ক তেখেতৰ অন্যান্য প্ৰবন্ধ কেইটামান হৈছে — ৰূপান্তৰ স্ফোট ব্যাকৰণৰ পৰিচয় (১৯৯৩, নাহেন্দ্ৰ পাদুন সম্পাদিত গ্ৰন্থ 'ভাষাৰ তত্ত্ব-কথা'), অসমীয়া বাক্যতত্ত্ব (২০০২, লীলাৱতী শইকীয়া বৰা আৰু দীপ্তি ফুকন পাটগিৰি সম্পাদিত গ্ৰন্থ 'ভাষা-জিজ্ঞাসা') ইত্যাদি। 'অসমীয়া বাক্যতত্ত্ব' শীৰ্ষক প্ৰবন্ধৰ আৰম্ভণিতেই দত্তবৰুৱাই উল্লেখ কৰিছে এনেদৰে — "এতিয়ালৈ অসমীয়া ভাষাৰ বিষয়ে ৰূপান্তৰ সৃজন ব্যাকৰণৰ দৃষ্টিকোণৰ পৰা লিখা কোনো পুথি প্ৰকাশিত হোৱা নাই। ৰূপান্তৰ-সৃজন ব্যাকৰণৰতো কথাই নাই, বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা লিখা অসমীয়া বাক্যতত্ত্বৰ আলোচনাও তেনেকৈ পাবলৈ নাই।"

দত্তবৰুৱাই 'অসমীয়া বাক্যতত্ত্ব' শীৰ্ষক প্ৰবন্ধত বাক্যৰ শ্ৰেণীবিভাগ, বিস্তৃত পৰিসৰত দাঙি ধৰিছে। গাঁঠনিক দিশ, অৰ্থৰ দিশ, কৰ্তা-কৰ্ম-ক্ৰিয়াৰ প্ৰাধান্যৰ দিশ বিবেচনা কৰি তেওঁ মুঠ দহ প্ৰকাৰৰ বাক্য শ্ৰেণীভুক্ত কৰিছে। যেনে —

| | | | | |
|---|---|---|---|---|
| ক) | গাঁঠনিক দিশ অনুযায়ী | ঃ | ১। | সৰল বাক্য (Simple Sentence) |
| | | | ২। | যুগ্ম বাক্য (Compound Sentence) |
| | | | ৩। | জটিল বাক্য (Complex Sentence) |
| খ) | অৰ্থৰ দিশ অনুযায়ী | ঃ | ৪। | নিৰ্দেশাত্মক (Indicative) |
| | | | ৫। | অনুজ্ঞাবোধক (Imperative) |
| | | | ৬। | প্ৰশ্নবোধক (Interrogative) |
| | | | ৭। | নেতিবাচক বা নঞাৰ্থক (Negative) |
| গ) | কৰ্তা-কৰ্ম-ক্ৰিয়াৰ প্ৰাধান্য অনুযায়ী | ঃ | ৮। | কৰ্তৃবাচ্যৰ বাক্য |
| | | | ৯। | কৰ্মবাচ্যৰ বাক্য |
| | | | ১০। | ভাব বাচ্যৰ বাক্য। |

দত্তবৰুৱাই প্ৰতিবিধ বাক্যৰ উদাহৰণ দাঙি ধৰি সেইবোৰৰ সম্প্ৰসাৰণৰ নমুনাও উপস্থাপন কৰিছে। আনহাতে 'ৰূপান্তৰ স্ফোট ব্যাকৰণৰ পৰিচয়' শীৰ্ষক প্ৰবন্ধত দত্তবৰুৱাই ৰূপান্তৰ স্ফোট ব্যাকৰণৰ ভিত্তি ভূমি, ৰূপান্তৰ নিয়মাৱলী আদি আলোচনা কৰাৰ লগতে অসমীয়া সাৰ বাক্যৰ (Kernal Sentence) পৰা নতুন নতুন বাক্য সাধন কৰি দেখুৱাইছে।[৭]

৯০ দশকৰ পৰৱৰ্তী সময়ত প্ৰকাশিত অসমীয়া ভাষা বিষয়ক গ্ৰন্থ অথবা প্ৰবন্ধত চমুকৈ হ'লেও বাক্যতত্ত্বৰ আলোচনা কৰিবলৈ লোৱা কাৰ্য অসমীয়া ভাষা চৰ্চাৰ বাবে শুভ লক্ষণ। ২০০২ চনত প্ৰকাশিত অৰ্পণা কোঁৱৰ ৰচিত গ্ৰন্থ 'ভাষাবিজ্ঞান উপক্ৰমণিকা'ত সন্নিবিষ্ট বাক্যতত্ত্ব (পৃ. ১৩৮-১৬৪) অধ্যায়ত বাক্যৰ উপাদান, বাক্য গঠন প্ৰক্ৰিয়া, বাক্যতত্ত্বৰ বিশ্লেষণ, বাক্যগঠনত ৰূপান্তৰ প্ৰক্ৰিয়া আৰু বাক্যৰ শ্ৰেণীবিভাগ আলোচনা কৰিছে। এই প্ৰসংগত লিখিকাই অসমীয়া ভাষাৰ পৰা উদাহৰণ দাঙি ধৰি অসমীয়া বাক্যতত্ত্বৰ স্বৰূপ নিৰ্ণয়ৰ প্ৰয়াস কৰিছে। উদাহৰণস্বৰূপে বিশেষ্য খণ্ডবাক্য (Noun Phrase) আৰু ক্ৰিয়া খণ্ডবাক্য (Verb Phrase) ৰ সহায়ত গঠিত অসমীয়া বাক্য এটা তেওঁ তলত দিয়া ধৰণে বিশ্লেষণ কৰিছে —




বাক্য = বিশেষ্য খণ্ডবাক্য + ক্ৰিয়া খণ্ডবাক্য

দুষ্ট ল'ৰাটোৱে + পাৰ এটা মৰিয়াই মাৰিলে।[৮]

২০০৪ চনৰ জুন, নৱেম্বৰ আৰু ডিচেম্বৰ সংখ্যা 'গৰীয়সী'ত প্ৰকাশিত উপেন ৰাভা হাকাচামৰ 'অসমীয়াৰ কেইটামান নৃগোষ্ঠীয় উপাভাষা ঃ এটি সাধাৰণ পৰিচয়' শীৰ্ষক প্ৰবন্ধত[৯] ৰাজবংশী বা দেশীভাষা, হাজং-অসমীয়া (ঝাৰুৱা), আহোম-অসমীয়া, মিচিং অসমীয়া, সোণোৱাল কছাৰীৰ মাতৃভাষা অসমীয়া আদিৰ আলোচনা কৰোঁতে সেই ভাষাবোৰৰ বাক্যগত বৈশিষ্ট্যও চমুকৈ উপস্থাপন কৰিছে। উদাহৰণস্বৰূপে মিচিং অসমীয়া ভাষাৰ বাক্যগত বৈশিষ্ট্যৰ আলোচনা কৰি লিখকে মন্তব্য কৰিছে — "অন্যান্য নৃগোষ্ঠীয় উপভাষাৰ দৰে মিচিং-অসমীয়া বাক্য অতি সৰল আৰু পোনপটীয়া। জটিল বা দীঘল চৰ্তবাচক বাক্যৰ অনুপস্থিতি এই উপভাষাৰো বিশেষ বৈশিষ্ট্য।...."[১০]

বিভা ভৰালীয়ে 'কামৰূপী উপভাষা ঃ এটি অধ্যয়ন' (২০০৪) শীৰ্ষক গ্ৰন্থৰ চতুৰ্থ অধ্যায়ত বাক্যগঠন প্ৰণালীৰ তুলনামূলক দিশ আলোচনা কৰিছে। সামগ্ৰিকভাৱে যে কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহত বাক্যগঠনৰ একে ক্ৰম ৰক্ষিত হয়, কেৱল স্থানীয় ৰূপ বিশেষে নিজস্ব কথনভঙ্গীৰ বৈশিষ্ট্য পৰিলক্ষিত হয় লিখিকাই সেই কথা উল্লেখ কৰিছে। তেওঁ উপভাষাটোৰ বাক্যগঠনৰ ক্ষেত্ৰত উদ্দেশ্য-বিধেয় আৰু ক্ৰিয়াৰ অৱস্থান, সম্প্ৰসাৰক আৰু পূৰকৰ সংযোগ আদিবোৰ দেখুৱাই দিছে।

মুঠৰ ওপৰত, অসমীয়া ভাষা আৰু এই ভাষাৰ বিভিন্ন উপাভাষাসমূহৰ বাক্যতত্ত্বৰ যথেষ্ট বিচিত্ৰতা আছে। ৯০ ৰ দশকৰ পৰা এই ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন হ'বলৈ ধৰিছে যদিও এতিয়াও অসমীয়া ভাষা বা ইয়াৰ উপভাষাসমূহৰ বাক্যতত্ত্বৰ ওপৰত কোনেও সুকীয়াকৈ গ্ৰন্থ প্ৰণয়ন কৰা নাই। এইক্ষেত্ৰত ইংৰাজী প্ৰমুখ্যে অন্য ভাষাৰ কথা বাদেই অসমীয়াৰ নিকটৱৰ্তী বাংলা ভাষাতেই কেৱল বাক্যতত্ত্বৰ ওপৰত লিখা গ্ৰন্থ পোৱা যায়। ঢাকা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা হুমায়ুন আজাদৰ 'বাক্যতত্ত্ব' (দ্বিতীয় সংস্কৰণ, ১৯৯৪; প্ৰথম প্ৰকাশ, ১৯৮৪) শীৰ্ষক গ্ৰন্থখন ৫০০ পৃষ্ঠাতকৈও অধিক কলেবৰৰ। গতিকে, অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ ওপৰত সুকীয়া গ্ৰন্থ প্ৰণয়নৰ যথেষ্ট সম্ভৱনা আছে, এই দিশত যোগাত্মক কাম হ'ব বুলি আশা কৰিব পাৰি।

প্ৰসঙ্গটোকা ঃ

১। Crystal, David : The Cambridge Encyclopedia of Language, 2nd editioin. 1997 (fifth printing, 2003), Cambridge University Press, p. 413.

২। Yule, George : The Study of Language, 2nd edition, 1996 (reprinted 2007), Cambridge University Press, p. 101.

৩। Goswami Golockchandra : Structure of Assamese, 1982, Gauhati Universitry, p. 283.

৪। গোস্বামী, গোলকচন্দ্ৰ ঃ 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ', তৃতীয় সংস্কৰণ, ১৯৯৩ (প্ৰথম সংস্কৰণ, ১৯৮৭), বীণা লাইব্ৰেৰী, গুৱাহাটী, পৃ. ২০২।

৫। দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ ঃ 'অসমীয়া বাক্যতত্ত্ব' (প্ৰবন্ধ), 'ভাষা-জিজ্ঞাসা', সম্পা. — লীলাৱতী শইকীয়া বৰা আৰু দীপ্তি ফুকন পাটগিৰি, ২০০২, বনলতা, গুৱাহাটী, পৃ. ৬৫।

৬। দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ ঃ উক্ত প্ৰবন্ধ, গ্ৰন্থ, পৃ. ৬৫-৬৬।

৭। দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ ঃ ৰূপান্তৰ স্ফোট ব্যাকৰণৰ পৰিচয় (প্ৰবন্ধ), ভাষাৰ তত্ত্ব-কথা, সম্পা. নাহেন্দ্ৰ পাদুন, ১৯৯৩, আদৰণী সমিতি, অসম সাহিত্য সভাৰ ঊনষষ্ঠিতম অধিবেশন, শিৱসাগৰ, পৃ. ১৪০-১৫৭।

৮। কোঁৱৰ, অৰ্পণা ঃ ভাষাবিজ্ঞান উপক্ৰমণিকা, ২০০২, বনলতা, ডিব্ৰুগড়, পৃ. ১৫৪।

৯। ৰাভা হাকাচাম, উপেন ঃ 'অসমীয়াৰ কেইটামান নৃ-গোষ্ঠীয় উপাভাষা ঃ এটি সাধাৰণ পৰিচয়' (প্ৰবন্ধ), গৰীয়সী, সম্পা. চন্দ্ৰপ্ৰসাদ শইকীয়া, জুন, ২০০৪, নৱেম্বৰ, ২০০৪, ডিচেম্বৰ, ২০০৪।

১০। ৰাভা হাকাচাম, উপেন ঃ উক্ত প্ৰবন্ধ, আলোচনী, ডিচেম্বৰ, ২০০৪, পৃ. ৮২।

---

# কৌতুক

১। এহাল প্ৰেমিক-প্ৰেমিকা দীঘলী নদীৰ পাৰত বহি কথা পাতি আছে।

প্ৰেমিকা ঃ তুমি মোক প্ৰেমৰ নামত কি দিব পাৰিবা?

প্ৰেমিক ঃ সকলো বস্তু দিব পাৰিম।

প্ৰেমিকা ঃ মানে

প্ৰেমিক ঃ তুমি এবাৰ বিচাৰি ছোৱা জীৱনটো দিম।
এবাৰ কান্দি চোৱা চকুপানী মচি দিম আৰু
এবাৰ কৈ চোৱা দীঘলী নদীত জপিয়াই দিম।

প্ৰেমিকা ঃ আৰু কি দিবা?

প্ৰেমিক ঃ তেনেহ'লে এবাৰ হাঁহি চোৱা বত্ৰিছটা দাঁত ভাঙি দিম।

চুমি কাঠাৰ
স্নাতক প্ৰথম ষান্মাসিক

# মামণি ৰয়ছমৰ উপন্যাসত নাৰী চৰিত্ৰ

জ্যোৎস্না দেৱী
*স্নাতক তৃতীয় বৰ্ষ*

'ড° মামণি ৰয়ছম গোস্বামী', অসমৰ সাহিত্যৰ ক্ষেত্ৰখনত এক অতি চিনাকী আৰু জনপ্ৰিয় নাম। জ্ঞানপীঠ বঁটাৰে বিভূষিতা এইগৰাকী লেখিকাই তেওঁৰ সুউচ্চ সাহিত্যকৃতি আৰু আদৰ্শনীয় ব্যক্তিত্বৰে নিজৰ নাম চিৰযুগমীয়া কৰি থৈ গৈছে। অহৰহ মানুহৰ দুখ-দুৰ্দশাৰ ছবি কঢ়িয়াই থকা এই লেখিকাগৰাকীৰ মাজত আছিল এক অভাৱনীয় সাহস আৰু সততা। তেওঁৰ ব্যক্তিগত জীৱনটোও আছিল কাঁইটীয়া, যাৰ চাপ তেওঁৰ লেখনিৰ মাজত প্ৰকট হোৱা দেখা যায়।

অমানৱিক নিষ্ঠুৰ হৃদয়হীনতাই মানুহৰ সুখ, আনন্দ, সৌন্দৰ্য, প্ৰেম, স্বাধীনতা আদি স্বাভাৱিক আকাংক্ষাবোৰক নিষ্ক্ৰিয় আৰু বিধ্বস্ত কৰি ৰাখিলেও একেবাৰে নিঃশেষ কৰি পেলাব নোৱাৰে। স্বাভাৱিক আকাংক্ষাবোৰক শোষণ নিঃশেষ কৰাৰ ঘৃণনীয় প্ৰক্ৰিয়াবোৰ মাৰ নিয়াই এইবোৰক সক্ৰিয় কৰি তুলিবৰ বাবে সমাজত প্ৰচলিত কু-সংস্কাৰবোৰ সাহসিকতাৰে অতিক্ৰম কৰিব পৰাটো উচিত। মামণি ৰয়ছম আছিল এই পথৰ অক্লান্ত যাত্ৰী। এইক্ষেত্ৰত তেওঁৰ দুঃসাহসিকতা অবিস্মৰণীয়। কাৰণ তেওঁ নিজেও আছিল গভীৰ সংস্কাৰে আৱৰি থকা সমাজখনৰ অংগ।

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰী-পুৰুষ দুয়োবিধ চৰিত্ৰ চিত্ৰণৰে পাৰদৰ্শিতা দেখা যায় যদিও তেওঁৰ উপন্যাসত নাৰী চৰিত্ৰসমূহ বিশেষভাৱে উদ্ভাসিত হৈ উঠিছে। সংঘাত, বিদ্ৰোহ, বেদনা, প্ৰত্যাশা, প্ৰতিবাদ, সংস্কাৰ ইত্যাদি নিৰ্ম্মম বাস্তৱতাৰে জৰ্জৰিত নাৰী কিছুমানৰ ছটফটনিক লেখিকাই অত্যন্ত জীৱন্ত আৰু সংবেদী ৰূপত প্ৰকাশ কৰিছে। ইয়াৰ কাৰণ হৈছে তেওঁ নিজেই আছিল অত্যন্ত সংবেদী। তেওঁৰ কিছুমান নাৰী চৰিত্ৰ অসাধাৰণ। ইয়াৰ মূলতে হ'ল তেওঁৰ এই নাৰীসমূহ সময়, সমাজ আৰু মানুহৰদ্বাৰা অতি নিৰ্ম্মমভাৱে আক্ৰান্ত। তদুপৰি তেওঁলোক দুৰ্বল নহয়। সমাজ, ব্যক্তি আৰু পৰিস্থিতিৰ বিৰুদ্ধে তেওঁলোকে থিয় দিব পাৰে, প্ৰয়োজন সাপেক্ষে বিদ্ৰোহ ঘোষণা কৰিব পাৰে। এই বিদ্ৰোহৰ ফলাফল কি হয় সেয়া অৱশ্যে দৰকাৰী নহয় যদিও এনেকুৱা বিদ্ৰোহত কোনো নাৰী চৰিত্ৰ শোচনীয়ভাৱে পৰাজিত হোৱা নাই। তাৰ বাবে কেতিয়াবা কোনো নাৰী চৰিত্ৰই নিজে আত্মজাহ দিয়ো সমাজ আৰু সময়ৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাইছে নতুবা এক অভিশাপ থৈ গৈছে।

'চেনাবৰ সোঁত', 'নীলকণ্ঠ ব্ৰজ', 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', 'মামৰে ধৰা তৰোৱাল', 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা', 'আধালেখা দস্তাবেজ', 'অহিৰণ' ইত্যাদি হৈছে মামণি ৰয়ছমৰ কেইখনমান উল্লেখযোগ্য উপন্যাস। এই সকলোবোৰ উপন্যাসৰেই নাৰী চৰিত্ৰকেইটাই লেখিকাৰ সাৰ্থক চৰিত্ৰাংকণক সমৰ্থন কৰে।

তেওঁৰ প্ৰথম উপন্যাস 'চেনাবৰ সোঁত'ৰ দুটা প্ৰধান নাৰী চৰিত্ৰ হৈছে সোণী আৰু ৰাঘামা। উপন্যাসখনত দুয়োটা চৰিত্ৰৰে সাহসৰ পৰিচয় পোৱা যায়। শ্ৰমিক ৰামবীৰ বুঢ়াৰ স্বভাৱৰ প্ৰতি সকলোৰে বেয়া দৃষ্টি থকা স্বত্বেও নৈতিকভাৱে সবল সোণীয়ে ৰামবীৰ বুঢ়াৰ সংগ ত্যাগ কৰা নাই। ৰাঘামায়ো তাইৰ সাহসৰ পৰিচয় দিবলৈ সক্ষম হৈছে যেতিয়া তাইৰ গিৰীয়েকক এচামে অস্থায়ী ঝুলা দলঙৰ ওপৰেৰে দৌৰাই ৰং চাইছে তেতিয়া তাই মানুহজাকক উদ্দেশ্যি তীব্ৰ ঘৃণা আৰু খং প্ৰকাশ কৰি গালি পাৰিছে। তদুপৰি উপন্যাসখনৰ এক পাৰ্শ্ব চৰিত্ৰ সৰ্বমতীৰ মাজেদিও নাৰী-জীৱনৰ এক প্ৰতিবাদ সাব্যস্ত কৰা হৈছে। ইয়াৰ লগতে চৰিত্ৰবোৰৰ নিঃসংগতাৰ পৰিচয়ো পোৱা যায়।

'নীলকণ্ঠী ব্ৰজ'ৰ হিন্দু বিধৱা সৌদামিনীৰ চৰিত্ৰত লেখিকাৰ নাৰীবাদী দৃষ্টিভংগীৰ বলিষ্ঠ প্ৰকাশ পোৱা যায়। এই নিঃসংগ চৰিত্ৰটোৱে যি প্ৰতিবাদী, বিদ্ৰোহী ভূমিকা পালন কৰিছে তাৰ মূলতে আছে দুৰন্ত সাহস। ব্ৰজধামলৈ শান্তি আৰু আশ্ৰয় বিচাৰি অহা সৌদামিনীয়ে ৰাধেশ্যামীহঁতৰ নিপীড়ন আৰু যন্ত্ৰণা দেখি তাইৰ মনত বিদ্ৰোহৰ সৃষ্টি হয়। তাই নিঃসংগ হৈ পৰিল আৰু ক্ষোভৰ জুই দপ্ দপ্‌কৈ জ্বলি উঠিল। তাই সমাজ আৰু পৰম্পৰাৰ বিৰুদ্ধে থিয় দিব পৰাৰ মূলতে হ'ল নিঃসংগতাই সৃষ্টি কৰা দুৰন্ত সাহস।

ৰয়ছমৰ আন এখন সুন্দৰ উপন্যাস 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ 'গিৰিবালা' হৈছে এক সাধাৰণ নাৰী। কিন্তু তাইৰ মাজত লেখিকাই অসাধাৰণত্ব ফুটাই তুলিছে। কঠোৰ সংস্কাৰেৰে আৱৰা সমাজ এখনৰ ফুলকুমলীয়া বিধৱা গিৰিবালাক সমাজৰ কু-সংস্কাৰে চেপি-খুন্দি নিঃশেষ কৰাৰ উপক্ৰম কৰিছে। তাই নিঃসংগ, অসহায়, কিন্তু তাইৰ মনোবল নথকা নহয়। দেহ আৰু মনৰ ক্ষুধা দমন কৰি ৰাখিব নোৱাৰি তাই বিধৱা হৈয়ো আইতাকৰ 'কাম'ৰ মাংস খাইছে আৰু সন্যাসী মাৰ্কৰ কাষ চাপিছে। শেষত তাই নিজেই সমাজ ব্যৱস্থাৰ প্ৰতি প্ৰত্যাহ্বান জনাই সাহসেৰে জুইত আত্মাজাহ দিছে। তাইৰ এই বিদ্ৰোহ সামন্তবাদী সমাজ ব্যৱস্থাৰ প্ৰতি এক অভিশাপ। এই উপন্যাসৰে 'সৰু গোঁসানী'ৰ চৰিত্ৰটোৱে বৈধব্যৰ যন্ত্ৰণাৰে বাৰম্বাৰ আত্মাদ্বন্দত ছট্‌ফটাইছে। আনহাতে, 'দুৰ্গা' চৰিত্ৰটোৱে প্ৰচলিত সমাজ ব্যৱস্থাৰ ওচৰত হাৰ মানি বৈধব্যৰ যন্ত্ৰণাত নীৰৱে জীৱন কটাইছে।

যাৰ ভিতৰে ভিতৰে অন্তঃসলিলা ফল্গুৰ দৰে দ্বন্দ্ব-বিষাদ, আশা-প্ৰত্যাশাৰ ধাৰা বৈ থাকে তেনে এক চৰিত্ৰ হৈছে 'মামৰে ধৰা তৰোৱাল'ৰ 'নাৰায়নী' চৰিত্ৰটো।

'দেৱীপীঠৰ তেজ' উপন্যাসৰ জৰিয়তে নাৰী জীৱনৰ নৰকৰ যন্ত্ৰণা পৰিস্ফূট হৈছে। ইয়াত বিয়াৰ পিছতে গিৰীয়েকে পৰিত্যাগ কৰা পদ্মাৰ বেদনাবিধৌত জীৱনৰ চিত্ৰণ ঘটোৱা হৈছে।

ঠিক সেইদৰে তেওঁৰ 'অহিৰণ', 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা', 'সংস্কাৰ', 'ভিক্ষাৰ পাত্ৰ ভাঙি' ইত্যাদি উপন্যাসসমূহতো নাৰীৰ জীৱনৰ শূণ্যতাবোধ, সংবেদনশীলতা, ছট্‌ফটনি, হতাশা, বঞ্চনা এই সকলোবোৰ সুন্দৰভাৱে উপস্থাপন কৰিছে।

এইদৰে লাঞ্চনা-গঞ্জনাৰ সন্মুখীন হৈয়ো, প্ৰকৃততে নাৰীসত্তাৰ দুৰ্দমনীয় আকাংক্ষাৰে উদ্দীপিত তেওঁৰ চৰিত্ৰবোৰে নাৰী হিচাপে নিজৰ স্থান অক্ষুণ্ণ ৰখাত যত্নপৰ হৈছে। তেওঁৰ প্ৰকাশভংগী অত্যন্ত সংবেদনশীল, তেওঁৰ লেখনিত কৃত্ৰিমতাৰ ছাপ নাই। য'তেই মানুহৰ জীৱনৰ ভয়াবহতা আৰু সীমাহীন কষ্টত ছট্‌ফটাই থকা প্ৰাণৰ আৰ্তনাদ শুনিবলৈ পোৱা গৈছে তাতেই লেখিকাৰ ভাৰ গধূৰ মনৰ প্ৰকাশ সংবেদনশীল হৈছে।

সাধনা আৰু সৌভাগ্যই সমানে ধন্য কৰা সাহিত্যিক হৈছে মামণি ৰয়চম গোস্বামী। দুখ-সুখ, প্ৰাপ্তি-অপ্ৰাপ্তিয়ে সমানে চহোৱা তেওঁৰ উৰ্বৰ ভূমি। তেওঁৰ কেনভাছত ৰামধেনুৰ সাতোটা ৰঙেই জিলিকি উঠিছে। তেওঁৰ উপন্যাসৰ প্ৰতিটো চৰিত্ৰৰ বেলেগ বেলেগ মানসিকতাৰ মাজত লেখিকাগৰাকীৰ মানসিকতাও তৰপে তৰপে সোমাই আছে। প্ৰৱল মানৱতা বোধেৰে যিয়ে নিজক সৰ্বসাধাৰণৰ বাবে উছৰ্গা কৰিছিল, তেঁৱেই মামণি ৰয়ছম। ২০১১ চনৰ ২৯ নৱেম্বৰৰ দিনা নিৰলস প্ৰজ্ঞাৰ সাধক 'হৃদয়ৰ তপস্বিনী' এইগৰাকী সাহিত্য-সম্ৰাজ্ঞীৰ দেহাৱসান ঘটিল আৰু লগে লগে অস্ত গ'ল অসমীয়া সাহিত্যৰ এই শক্তিশালী নক্ষত্ৰ।

---

# একাঁজলি শ্ৰদ্ধা

**মৃদুস্মিতা দাস**
*স্নাতক তৃতীয় বৰ্ষ*

অসমীয়া কাব্যজগতক প্ৰজ্বলিত কৰা এগৰাকী বিশিষ্ট কবি হীৰেণ ভট্টাচাৰ্য। 'সুগন্ধি পখিলা' হিচাপে অসমৰ কাব্যপ্ৰেমী ৰাইজৰ মাজত জনপ্ৰিয় কবি হীৰেণ ভট্টাচাৰ্যৰ বহু কবিতাই মানুহৰ মুখে মুখে বহু বছৰ ধৰি চলি আহিছে। এগৰাকী কবিৰ লগতে তেওঁ আছিল গভীৰ প্ৰেমিক। তেওঁৰ প্ৰেম আছিল শিল্পীৰ প্ৰতি, চিত্ৰৰ প্ৰতি, মাটি-মানুহ-শইচৰ প্ৰতি, অসমীয়া ভাষাৰ প্ৰতি। জনসাধাৰণৰ মাজত 'হীৰুদা' হিচাপে খ্যাত হীৰেণ ভট্টাচাৰ্য আছিল ৰসাল ব্যক্তিত্বৰ অধিকাৰী।

১৯৩২ চনৰ ২৮ জুলাইত যোৰহাটত জন্মগ্ৰহণ কৰা হীৰুদাই শৈশৱৰ পৰাই অসমৰ বিভিন্ন অঞ্চল আৰু লোকজীৱনক কাষৰ পৰা দেখা বাবেই তেওঁৰ ভাষিক-সাংস্কৃতিক গছডাল লহ্ পহকৈ বাঢ়িছিল। সৰ্বসাধাৰণ মানুহৰ ভাষা তেওঁ সহজে বুজি পাইছিল আৰু আয়ত্তও কৰিছিল।

'প্ৰবাহ' নামৰ আলোচনীত তেওঁৰ জীৱনৰ প্ৰথমটো কবিতা 'নিমন্ত্ৰণ' প্ৰকাশ পাইছিল ১৯৫৪ চনত। তেওঁৰ প্ৰথম কবিতা সংকলন 'ৰৌদ্ৰ কামনা' প্ৰকাশ পাইছিল ১৯৬৪ত। ৫০ ৰ দশকৰ মাজভাগৰ পৰা কবিতা লিখিবলৈ আৰম্ভ কৰি তেওঁ কেৱল জীৱনৰ জয়গান গাই আহিছে। জীৱনৰ স্বাৰ্থত গাইছে নিয়ম ভঙাৰ গান, 'গানহীন মানুহৰ কল্যাণ' হৈ উঠিছিল তেওঁৰ বাবে পৰম বাঞ্চিত। সেই উদ্দেশ্যৰেই তেওঁ আৰম্ভনিৰে পৰা হৈ আহিছিল 'আকাশৰ দুৱাৰ ৰখীয়া আৰু প্ৰেমে প্ৰতিবাদে সজাগ/মানুহৰ দৰে মানুহ। অনবৰতে চিন্তাক্লিষ্ট, যন্ত্ৰনাদগ্ধ হৈ থকা কবিয়ে সততে কৰিছিল 'দুখৰ স্তুতি'। কবিৰ কামিজৰ সীয়নিত দুখ, অনুভূতিত আছিল 'উতলা দুখ, কণ্ঠত আছিল শোকৰ শ্লোক। পিছে দুখ-শোকত তেওঁ ভাঙি পৰা নাছিল, বৰঞ্চ নতুন প্ৰত্যয়ৰে শব্দৰে স'তে 'অভিন্ন সংসাৰ' পাতিছিল।

অসম আন্দোলনৰ সময়ত তেওঁ কবিতাৰ এটি পংক্তিৰে দেৱালয়সমূহ ভৰি পৰিছিল। সেই কবিতাফাঁকি আছিল —

"দেশ বুলি ক'লে আদেশ নালাগে
মোৰ তুমৰলি তেজত টগবগাই উঠে
এহেজাৰ এটা ৰণুৱা ঘোঁৰা।"

ঠিক তেনেকৈ তৰুণ প্ৰজন্মৰ মাজত কাল নিৰ্বিশেষে অতিকৈ পৰিচিত কবিতা হ'ল —

"এই কবিৰ আৰু একো নাই
এটাই মাথোঁ কামিজ
তাৰো ছিগো ছিগো চিলায়
প্ৰেম নিশ্চয় এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰায়।"

তেওঁৰ কবিতাই জীৱন-জগতৰ প্ৰায় সকলো দিশ সামৰি লৈছিল। তেখেতৰ কবিতাৰ ভাষা আছিল অনুকৰণীয় আৰু নিভাঁজ অসমীয়া শব্দশৈলীৰে সমৃদ্ধ। কেৱল অসমৰ চাৰিসীমাৰ ভিতৰতে নহয়, এইগৰাকী কবিক পশ্চিমবংগৰ সাহিত্যপ্ৰেমীসকলেও অতি আপোন বুলি জ্ঞান কৰিছিল।

'সুগন্ধি পখিলাৰ' কবিয়ে মৃত্যুৰ মাজতো শিল্প বিচাৰি পাইছিল আৰু কৈছিল —

"মৃত্যুটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য।"

এইগৰাকী মহান কবিৰ মৃত্যু আমাৰ অসমীয়া সাহিত্য-সংস্কৃতিৰ বাবে এটি অপূৰণীয় ক্ষতি। অসমৰ বোকা-পানী, গছ-বন, ফল-ফুল সকলো সামৰি তেওঁ নিজেই আছিল এক সুগন্ধি পখিলা আৰু এই পখিলাই যেন কবিতাৰ মাজেৰে জনসাধাৰণৰ মাজত সুগন্ধি বিলাই উৰি গ'ল অজান মুলুকলৈ।

# মানৱতাবাদী শিল্পী ঃ ড° ভূপেন হাজৰিকা

**পল্লৱী মহন্ত**
*স্নাতক তৃতীয় ষাণ্মাসিক*

শতফুল ফুলাৰ ঠাই শদিয়া; তাতেই জন্ম হয় এজন বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ। সৰুতেই বিষ্ণু ৰাভা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ সান্নিধ্য লাভ কৰা ড° হাজৰিকাৰ সংগীতৰ প্ৰতি আছিল সুগভীৰ শ্ৰদ্ধা আৰু ড° হাজৰিকা আছিল একাধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, পৰিচালক, অভিনেতা, সাংবাদিক, সংগীতজ্ঞ, চিত্ৰকৰ, শিক্ষক। অসমীয়া জাতিসত্বাৰ সৈতে ভূপেন হাজৰিকাৰ অভিন্ন সম্পৰ্ক।

প্ৰাচীন অসমীয়া সাহিত্যৰ ঈশ্বৰ বন্দনাই ৰোমান্টিক সাহিত্যত মানৱ বন্দনা ৰূপে স্থান পালে। এই মানৱ বন্দনা আধুনিক অসমীয়া সাহিত্যত মানৱতাবাদ ৰূপে চিহ্নিত হয়। অৰ্থাৎ সাধাৰণ মানুহৰ হা-হুমুনিয়াহ আদিবোৰ সাহিত্যত প্ৰকাশ কৰা কাৰ্যই হৈছে মানৱতাবাদ। ড° ভূপেন হাজৰিকা এজন মানৱতাবাদী শিল্পী। আজীৱন কেৱল মানুহৰ বাবেই গীত লিখিলে আৰু সেই গীতকেই গাই গ'ল তেওঁ বিশ্ববাসীৰ সন্মুখত ... মৃত্যুৰ আগলৈকে।

ড° ভূপেন হাজৰিকা আছিল চীন-ভাৰতৰ যুদ্ধৰ পৰা আৰম্ভ কৰি ভাষা আন্দোলন, আলফাৰ উদ্ভৱ আদি ঘটনা-পৰিঘটনাৰ প্ৰত্যক্ষদৰ্শী। প্ৰত্যেকটো সংকট অথবা সমস্যাৰ সৃষ্টিৰ সময়তেই ড° ভূপেন হাজৰিকাৰ কলমত একো একোটা তাৎপৰ্যপূৰ্ণ গীতৰ সৃষ্টি হৈছে আৰু তেখেতৰ প্ৰতিটো গীতেই জনসমাজত প্ৰৱল আলোড়ন সৃষ্টি কৰিছিল। ইয়াৰ মূলতে আছিল মানুহৰ প্ৰতি থকা ভূপেন হাজৰিকাৰ মৰম, সহানুভূতি কিম্বা সমভাৱ।

সমাজৰ শোষিত, দলিত, নিষ্পেষিত, অৱহেলিত সৰ্বহাৰা লোকসকলৰ কথা লিখিছে ভূপেন হাজৰিকাই। "প্ৰথম নহয়, দ্বিতীয় নহয়, তৃতীয় শ্ৰেণীৰ যাত্ৰী"। সৰ্বসাধাৰণ লোকৰ প্ৰতি দৰদ আৰু অনুকম্পাৰ স্পৰ্শ থকা আন এটি গীত হ'ল — "যদি জীৱনে কান্দে নাই নাই বুলি"।

ড° হাজৰিকাৰ অন্তৰখন শিশুৰ দৰে কোমল। যিকোনো হত্যা, হিংসা, মৃত্যুৰ খবৰে জোকাৰি গৈছিল তেওঁৰ হৃদয়। ১৯৭১ চনৰ পূব পাকিস্থান আৰু পশ্চিম পাকিস্থানৰ সংঘৰ্ষই সৃষ্টি কৰা অমানৱীয় পৰিস্থিতিত ভূপেন হাজৰিকাৰ মানৱীয় সত্বাৰ মূৰ্ত প্ৰকাশ ঘটিছিল তেওঁৰ গীতত এনেদৰে — "গংগা মোৰ মা, পদ্মা মোৰ মা....."। সেইদৰে তেখেতে ভাষা আন্দোলনৰ সময়ত মানৱতাৰ চৰম আকুলতাৰে লিখিলে এটি কালজয়ী গীত — "মানুহে মানুহৰ বাবে ...."। মানুহৰ হাহাকাৰ-ক্ৰন্দন শুনি কোনো প্ৰতিক্ৰিয়া নোহোৱা নিটাল-নিমাত সমাজখনক উপহাস কৰি কৈছে — "ব্যক্তি যদি ব্যক্তি কেন্দ্ৰিক, সমষ্টি যদি ব্যক্তিত্বৰহিত, তেনে শিথিল সমাজক নেভাঙা কিয় ?"

ভূপেন হাজৰিকাই গোৱা বিহুসুৰীয়া গীতবোৰো আছিল মানৱতাবাদী চিন্তা চেতনাৰে পুষ্ট। সিবোৰ প্ৰকৃততে শোষিতজনৰেই গান — "ইফালেদি লঠিয়াই হালুৱা-বনুৱাক, সিফালেদি লঠিয়াই তোক নাজিতৰা"।

নিজৰ গীত সম্পৰ্কে ভূপেন হাজৰিকাই এনেদৰে কৈ গৈছে যে গীতৰ মাধ্যমেৰে তেওঁ সমাজৰ পৰিৱৰ্তন আনিব খোজে। সেইবাবেই তেওঁৰ গীত কথা-প্ৰধান, সুৰ প্ৰধান নহয়। গীতৰ যোগেদিয়ে তেওঁ প্ৰকাশ কৰিছে ভগা পঁজাত বাস কৰা বস্ত্ৰহীন খেতিয়কৰ খাদ্যবিহীন দিন মজুৰৰ অন্তৰৰ হাহাকাৰ। দেশে দেশে তেওঁ নিৰ্যাতিত মানৱসত্বাৰ একেই ৰূপ দেখিছে। মিছৰৰ নীল নৈৰ পাৰৰ দুখীয়া খেতিয়কৰ বিননি তেওঁৰ গীতত প্ৰতিধ্বনিত হৈ উঠিছে —

"মিচি চিপিৰ পাৰতে
কঁপাহৰ খেতিতে
নিগ্ৰো' জনে বিনালে
কৈ মানুহৰ বৰণৰ কথা।"

একমাত্ৰ পুত্ৰৰ মৃত্যুত পিতৃৰ যি মৰ্মান্তিক বেদনা সেয়া ভূপেন হাজৰিকাই আলফুলে তুলি ধৰিছে তেওঁৰ গীতত —

"অকণ ঘৰলৈ আহিলে
কেঁচা তেজ ভৰা
ফুল শয়নতে ... ।"

জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে একতাৰ ডোলেৰে অসমখন বান্ধি ৰখাৰ উদ্দেশ্যে শংকৰদেৱে যি প্ৰৱল আন্দোলন গঢ়ি তুলিছিল, সেই আন্দোলনে পুনৰ প্ৰাণ পাই উঠিছিল ভূপেন হাজৰিকাৰ গীতত। ড° ভূপেন হাজৰিকাই মানৱতাবাদী চিন্তা চেতনাৰে উদ্বুদ্ধ হৈ এটা কথা বাৰুকৈয়ে বুজিছিল যে থলুৱা জনজাতিসমূহক এৰি অসমীয়া জাতিৰ কথা চিন্তা কৰা সম্ভৱ নহয়। সেয়েহে তেওঁ পাহাৰ-ভৈয়াম উভয়ৰে সম্প্ৰীতি অটুট ৰাখিবলৈ গাইছিল কেইবাটাও বিশিষ্ট গীত — 'ছিয়াঙৰে গালঙ', 'কহিমাৰে আধুনিকা ডালিমী', 'ডিফু হ'ল তোমাৰ নাম' আদি।

যদিও ভূপেন হাজৰিকাৰ গীতত সমান্তৰালভাৱে আধ্যাত্মিক চেতনা, সমাজ চেতনা, প্ৰেম চেতনা, বৈপ্লৱিক চেতনা আদিৰ প্ৰকাশ ঘটিছিল তথাপি তেওঁ যতে সুৰুঙা পাইছিল তাতে মানুহৰ কথা কৈছে। তেওঁৰ মানৱতাবাদী দৰ্শনে জনগণৰ মনলৈ কঢ়িয়াই আনিছে আশাবাদৰ ৰেঙণি। শেষত ক'ব পাৰি বৰ্তমানৰ ভোগবাদী ব্যৱস্থাৰ ক্ষয়িষ্ণু সমাজত মানৱতা প্ৰতিষ্ঠা কৰিবলৈ ড° ভূপেন হাজৰিকাৰ মানৱতাবাদী গীতসমূহৰ যথেষ্ট প্ৰাসংগিকতা আছে।

# অসমীয়া ভাষাৰ স্বকীয়তা

**লাকী দাস**
*স্নাতক তৃতীয় বৰ্ষ*

অসমীয়া ভাষাটো অসমৰ এটি প্ৰধান ভাষা। নব্য ভাৰতীয় ভাষাসমূহৰ ভিতৰত অসমীয়াও এটি উল্লেখযোগ্য ভাষা। এই অসমীয়া শব্দটিয়ে অসমীয়া ভাষা আৰু অসমীয়া কোৱা জনগোষ্ঠীক বুজায়। অৱশ্যে এই অসমীয়া ভাষাটোৰ উজনি-নামনি, পাহাৰ-ভৈয়াম, ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰ-দক্ষিণপাৰ ভেদে আঞ্চলিক ৰূপৰ প্ৰভেদ দেখা যায়। সেইদৰে কালানুক্ৰমিকভাৱে ইয়াৰ প্ৰাচীন-মধ্য আৰু আধুনিক ৰূপো পোৱা গৈছে। অসমীয়া ভাষা ভাৰতৰ সংবিধান স্বীকৃত এটি ভাষা আৰু এই ভাষাটিয়ে নিজৰ বিশেষত্ব, বৈশিষ্ট্যসমূহৰ দ্বাৰাই প্ৰভাৱশালী হৈ উঠিছে।

অসমখন বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন তীৰ্থ। এই অসমীয়া ভাষা কেৱল আৰ্যমূলীয় ভাষাই নহয়; বৰঞ্চ আৰ্য-অনাৰ্য উভয়ৰ উপাদান ইয়াত পোৱা যায়। গতিকে এই ভাষাটোত অনাৰ্য সকলৰ পৰা অহা শব্দ, ধ্বনি, উচ্চাৰণ আদি প্ৰয়োগ দেখা যায়। (যেনে — ডিমাছা ভাষাৰ সৈতে সাদৃশ্য থকা অসমীয়া শব্দ — মাছমৰা সঁজুলিৰ ক্ষেত্ৰত জাকৈ (জেমাই); চেপা (চেফা) ইত্যাদি।)

অসমীয়া ভাষাৰ ধ্বনিতত্ব, ৰূপতত্ব, শব্দসম্ভাৰ আদিৰ সুকীয়া বৈশিষ্ট্যই ইয়াক প্ৰভাৱশালী কৰি তুলিছে। গতিকে প্ৰথমে ধ্বনিৰ ক্ষেত্ৰত আলোচনা কৰিলে দেখা যায় যে অসমীয়া ভাষাৰ মূল সংস্কৃত। সংস্কৃতত চৈধ্যটা স্বৰধ্বনি আছে আৰু অসমীয়াত বিশিষ্ট স্বৰধ্বনি আঠটাহে দেখা যায়। ঠিক সেইদৰে সংস্কৃতত ব্যঞ্জন ধ্বনি ৪১ টা আছিল আৰু অসমীয়া বিশিষ্ট ব্যঞ্জন ধ্বনি ২১ টাহে থাকে। সংস্কৃতৰ দন্ত্য আৰু মূধন্য ধ্বনি অসমীয়াত দন্তমূলীয় ধ্বনিত পৰিণত হৈছে। পুৰণি অসমীয়াত দন্ত্য আৰু মুৰ্ধন্যৰ মাজত পাৰ্থক্য ৰখা হৈছিল নে নাই সেই কথা খাটাংকৈ একো ক'ব নোৱাৰিলেও, বৰ্ণ বিন্যাস পদ্ধতিলৈ চালে ই নিজস্ব গুণ হেৰুৱাইছে। কিন্তু আধুনিক অসমীয়াত দন্তমূলীয় ধ্বনিহে আছে। যেনেঃ ইষ্টক > ইটা, ধৱল > ধল ইত্যাদি। সংস্কৃতৰ ঔষ্ঠ্য ধ্বনিৰ ক্ষেত্ৰতো অসমীয়াত পৰিৱৰ্তন হোৱা নাই; বৰঞ্চ ইয়াত ধ্বনি পৰিৱৰ্তনৰ সাধাৰণ প্ৰক্ৰিয়াৰ বাহিৰে নতুন বিশেষ একো নাই। যেনেঃ ফলক > ফলা; বপ্ৰ > বাপ। আনহাতে সংস্কৃতৰ শিশ্ ধ্বনি শ, ষ, স- এই ধ্বনিকেইটাৰ অসমীয়াত বিশিষ্ট গুণ নাই; তাৰ পৰিৱৰ্তে অঘোষ পশ্চতালব্য স (x) ধ্বনিৰ 'স' আখৰটোৰহে ব্যৱহাৰ আছে। নব্য ভাৰতীয় আৰ্য ভাষাত এনে ধ্বনি নাই। গতিকে অসমীয়া ভাষাৰ ই এটা বিশেষত্ব। নাসিক্য ধ্বনি সংস্কৃতত ঙ, ঞ, ণ, ন, ম কিন্তু অসমীয়াত ঙ, ন আৰু ম হে আছে। অসমীয়া ভাষাৰ আন এক ধ্বনিগত বিশেষত্ব হ'ল ধ্বনিবোৰৰ হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য লোপ। সেইবাবে ই / ঈ, উ / ঊ এই স্বৰকেইটা সংস্কৃত অনুৰূপ অসমীয়া বানানত ব্যৱহাৰ আছে যদিও সংস্কৃতৰ দৰে মাত্ৰাভেদ নাই; অৰ্থাৎ হ্ৰস্ব-দীৰ্ঘৰ ভেদ নাই।

ৰূপতত্ত্বৰ ক্ষেত্ৰখনতো অসমীয়া ভাষাৰ এক সুকীয়া স্থান দেখা যায়। বিশেষকৈ লিংগ আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ কথা উল্লেখ কৰিব পাৰি। লিংগৰ ক্ষেত্ৰত অসমীয়া ভাষাই সুকীয়া ৰূপ লাভ কৰিছে। এইক্ষেত্ৰত ই মূল সংস্কৃত ভাষা বা পৰৱৰ্তী পালি প্ৰাকৃত আদি ভাষাৰ পৰা আঁতৰি আহিছে। তদুপৰি অইন আৰ্য মূলৰ ভাষা সমূহতকৈও ই সুকীয়া ৰূপ লাভ কৰিছে। মূল সংস্কৃত ভাষাত লিংগ অৰ্থৰ ওপৰত নিৰ্ভৰ নকৰে। শব্দৰ বৈয়াকৰণিক গঠনৰ ওপৰত নিৰ্ভৰ কৰিহে লিংগ নিৰূপিত হয়। অৰ্থাৎ একে অৰ্থ বুজোৱা একাধিক শব্দ সংস্কৃত ভাষাত বেলেগ বেলেগ লিংগ বাচক হ'ব পাৰে। কিন্তু অসমীয়া ভাষাৰ লিংগ নিৰূপণ ইয়াৰ অৰ্থৰ ওপৰত ভিত্তি কৰিহে হয়। অৰ্থাৎ অসমীয়া ভাষাত স্ত্ৰী বুজোৱা শব্দ এটা স্ত্ৰীলিংগহে হয়। সেইদৰে পুৰুষ বা মতা শব্দৰ অৰ্থ থকা শব্দ এটা পুংলিংগহে হয়, ই স্ত্ৰীলিংগ হ'ব নোৱাৰে। তদুপৰি সংস্কৃত, হিন্দী আদি ভাষাত কৰ্তাৰ লিংগ অনুসৰি ক্ৰিয়াৰ ৰূপ সলনি হয় যদিও অসমীয়া ভাষাত লিংগ অনুসৰি ক্ৰিয়াৰ ৰূপৰ কোনো পৰিৱৰ্তন নঘটে।

সেইদৰে নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ক্ষেত্ৰতো এক সুকীয়া বৈশিষ্ট্য দেখা যায়। বিশেষ্য, সংখ্যাবাচক শব্দ আৰু কিছুমান সৰ্বনামৰ প্ৰকৃতি নিৰ্দিষ্টভাৱে বুজাবলৈ কিছুমান প্ৰত্যয় যোগ দিয়া হয়। ড° বাণীকান্ত কাকতিয়েও এই বৈশিষ্ট্যৰ মূলতে অনা আৰ্য প্ৰভাৱ দেখা যায় বুলি কৈছে। যেনেঃ ক্ষুদ্ৰ অৰ্থ বুজাবলৈ 'কণ'ৰ ব্যৱহাৰ কৰা হয়। ল'ৰাক, বস্তুকণ ইত্যাদি।

অসমীয়া ভাষাৰ অইন এক বিশেষত্ব হ'ল ইয়াৰ পুৰুষ নিৰ্দেশক প্ৰত্যয়বোৰ। ইয়াক অৱশ্যে কোনো কোনো বৈয়াকৰণীকে বিভক্তিহে বুলিছে। অসমীয়া ভাষাত সম্বন্ধবাচক বিশেষ্য সমূহৰ লগত দুতৰপীয়া বিভক্তি যোগ হয়। কাৰকৰ বিভক্তি যোগৰ আগতে ইয়াত কৰ্তাৰ পুৰুষ অনুযায়ী অইন এক শ্ৰেণীৰ বিভক্তি সংযোগ হয়। প্ৰথম পুৰুষত শূণ্য, দ্বিতীয় পুৰুষ মান্যাৰ্থত 'ৰা' আৰু তুচ্চাৰ্থত ৰ আৰু তৃতীয় পুৰুষত 'ক' বিভক্তি যোগ হয়। যেনেঃ মোৰ দেউতা, তোমাৰ দেউতাৰা, তোৰ দেউতাৰ, তাৰ দেউতাক ইত্যাদি। অসমীয়া ভাষাৰ বাহিৰে সংস্কৃতকে ধৰি অইন কোনো আৰ্য ভাষাত এনে বৈশিষ্ট্য পৰিলক্ষিত নহয়। অসমীয়া ভাষাক আগুৰি থকা অনাৰ্য মূলৰ ভাষাসমূহৰ প্ৰভাৱতেই অসমীয়া ভাষাত এনে বৈশিষ্ট্য আহি পৰিছে বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে।

অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ বুলিলে এক ব্যাপক ক্ষেত্ৰক বুজায়। অসমত বিভিন্ন জাতি আৰু জনজাতিৰ সমাবেশ হোৱা দেখা যায়। যাৰফলত সেই জাতিবোৰৰ প্ৰভাৱ আমাৰ অসমীয়া ভাষাত পৰা দেখা যায়। শব্দ সমূহৰ অৱদানৰ ক্ষেত্ৰতো আৰ্যসকলৰ কথা উল্লেখ কৰিব লাগিব। বাংলা ভাষাৰ পৰা — ৰসগোল্লা, সন্দেচ; হিন্দী ভাষাৰ পৰা হৰতাল, ধৰ্মঘট ইত্যাদি। অসমত বিভিন্ন সময়ত বিদেশী সকলৰ সমাবেশ হোৱা দেখা যায় আৰু তেওঁলোকৰ প্ৰভাৱ

দেখা যায়। ইংৰাজী শব্দ ৰিজাৰ্ভ, ব্লাউজ, নাৰ্চ আদিৰ কথা উল্লেখ কৰিব পাৰি। মুছলমানসকলৰ অসমলৈ আহি ইয়াৰ লোকৰ লগত মিলি যায় আৰু সংস্কৃতিও কিছু পৰিমাণে গ্ৰহণ কৰে। এই মুছলমানসকলৰ অৰ্থাৎ আৰবী-পাৰ্চী শব্দৰ প্ৰভাৱ দেখা যায় — আইনা, কিতাপ, হেজাৰ, দেৱান ইত্যাদি। অনাৰ্যসকলৰ অষ্ট্ৰিক গোষ্ঠীৰ খাচি সকলৰ শব্দ দাং, খং; চাওঁতালীৰ গোহাৰি, ধমা আদি। তিব্বতবৰ্মী শাখাৰ বড়োসকলৰ পৰা অহা শব্দ হাফলু, জোং, জখলা, চাং, হাওঁফাও আদি। আনহাতে দি উপসৰ্গ থকা অসমীয়া নৈৰ নামবোৰ বড়োৰ পৰা আহিছে — দিক্রং, দিহং, দিবং। এই শব্দসমূহৰ প্ৰভাৱ আৰু প্ৰচলন অসমীয়া ভাষাত দেখা যায়। গতিকে অসমত বিভিন্ন সময়ত অহা গোষ্ঠীসকলৰ লগত মিলি গৈছে আৰু নিজৰ সংস্কৃতিও বিলাই দি আন সংস্কৃতিও গ্ৰহণ কৰিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে অসমীয়া ভাষাটোক এক বিশেষ ভাবে সমৃদ্ধিশালী ভাষা। মূলত আৰ্যভাষা হ'লেও এই ভাষাটোৱে বিভিন্ন ক্ষেত্ৰত নানা সমৃদ্ধি লাভ কৰি এক বিশেষ ৰূপ লাভ কৰিছে। বৰ্তমানেও ই নানা নতুন নতুন উপাদানক গ্ৰহণ কৰি জীণ নিয়াবলৈ ধৰিছে। বিকশিত আৰু জীৱন্ত ভাষা এটাৰ কাৰণে ই এক প্ৰয়োজনীয় প্ৰক্ৰিয়া। কিন্তু বাহিৰৰ ভাষাৰ উপাদান গ্ৰহণৰ ক্ষেত্ৰত অসমীয়া ভাষাই এটা ক্ষেত্ৰত সাৱধান হ'ব লাগিব বাহিৰৰ ঋণে যাতে ইয়াৰ স্বকীয়তা ব্যাঘাত জন্মাব নোৱাৰে তাৰ প্ৰতি সচেতন হ'ব লাগিব। তেতিয়াহে ই পৰিৱৰ্তনৰ পথত আগবাঢ়িও নিজৰ স্বকীয়তা নেহেৰুৱাকৈ থাকি এটা জীৱন্ত ভাষা হিচাপে বৰ্তি থাকিবলৈ সক্ষম হ'ব।


সহায় লৈ —

প্ৰসংগ পুথি ঃ

১। অসমীয়া ভাষাৰ ইতিহাস — ড° ৰমেশ পাঠক।

২। অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ — গোলোক চন্দ্ৰ গোস্বামী।


---

## অসমীয়া বিভাগৰ 'সাহিত্য-সংস্কৃতি চ'ৰা'ৰ উদ্যোগত আয়োজিত বাৰ্ষিক বক্তৃতানুষ্ঠান ঃ ২০০৩ চনৰ পৰা ২০১১ চনলৈ

| চন | বক্তা | বিষয় |
|---|---|---|
| ২০০৩ | ড° আনন্দ বৰমূদৈ | যুদ্ধোত্তৰ যুগৰ অসমীয়া চুটিগল্প (ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পৰ বিশেষ উল্লিখনসহ) |
| ২০০৪ | কেশৱ মহন্ত | আধুনিক অসমীয়া গীতি সাহিত্য ঃ ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ বিশেষ উল্লিখনসহ |
| ২০০৫ | বিশ্বেশ্বৰ হাজৰিকা | অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ |
| ২০০৬ | হৰেকৃষ্ণ ডেকা | ৰোমাণ্টিকতাৰ পৰা আধুনিকতালৈ ঃ বিংশ শতাব্দীৰ আধুনিক কবিতাৰ পৰ্যালোচনা |
| ২০০৭ | ড° ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা | অসমীয়া ব্যাক্যতত্ত্ব |
| ২০০৮ | ড° প্ৰদীপজ্যোতি মহন্ত | সত্ৰীয়া সংস্কৃতি ঃ এক বিহংগম দৃষ্টিপাত |
| ২০০৯ | ড° অমলেন্দু চক্ৰৱৰ্তী | ভাৰতীয় অলংকাৰ শাস্ত্ৰত ৰসবাদ |
| ২০১০ | ড° ৰমেশ পাঠক | অসমীয়া ভাষাৰ বিকৃতি আৰু আমাৰ কৰ্তব্য |
| ২০১১ | ড° মালিনী গোস্বামী | ছন্দ শিল্প আৰু অসমীয়া কবিতা |

# বন্ধুত্বৰ ৰং

অৰ্চনা দাস
*প্ৰথম ষাণ্মাসিক*

সুৰুযৰ কোমল পুৱাৰ হেঙুলী কিৰণে পৃথিৱীক পোহৰাই তোলাৰ সময়তে নিশা সাৰ পাই উঠিল। লাহে লাহে নিশাই সন্মুখৰ খিৰিকীখন খুলি বাহিৰৰ নীল আকাশখনৰ পিনে চাই পঠিওৱাৰ লগে লগে হঠাৎ মন বিষাদেৰে ভৰি পৰিল। আন দিনাৰ দৰে আজিৰ ৰাতি পুৱাটো তাইৰ বাবে পৃথক। চকুৰ আগত ভাঁহি আহিল পোন্ধৰ বছৰ আগত ঘটা ভয়াবহ আৰু কৰুণতাৰে ভৰা দিনটো, যিটো দিনত নিশাই তাইৰ আটাইতকৈ প্ৰিয়, মৰমৰ সংগীক হেৰুৱাব লগা হৈছিল।

সৰুৰে পৰাই নিশা আছিল বৰ দুৰ্ভগীয়া ছোৱালী। সহজ-সৰল উদাৰ প্ৰকৃতিৰ ছোৱালী নিশাই সৰুতেই মাক-দেউতাকক হেৰুৱাইছিল বাবে হয়তো তাই ৰং-ধেমালি, হাঁহি-স্ফূৰ্তি আদিৰ পৰা আঁতৰি এটা নিসংগ জীৱন কটাইছিল। খুৰাক-খুৰীয়েকৰ চত্ৰছায়াত ডাঙৰ-দীঘল হোৱা নিশাৰ কোনো বস্তুৰে অভাৱ নাছিল যদিও মৰম-চেনেহৰ পৰা তাই সদায় বঞ্চিত হৈছিল। সৰুৰে পৰা নিশা বৰ অকলশৰীয়া আছিল। মনৰ সুখ-দুখৰ ভাব প্ৰকাশ কৰিব পৰা কোনো সংগী তাইৰ ওচৰত নাছিল। স্কুলতো তাইৰ কোনো লগ সমনীয়া নাছিল। নিশাই যেতিয়া তাইৰ সমনীয়াবোৰক মাক-দেউতাকৰ লগত দেখে তেতিয়া তাইৰো মন যায় মাক-দেউতাকৰ হাতত ধৰি ফুৰিবলৈ, স্কুল যাবলৈ। কিন্তু তাইৰ সেই অভাৱ পূৰণ কৰিবলৈ দুখৰ সমভাগী হ'বলৈ ওচৰত যে কোনোৱেই নাছিল। নিসংগতাই তাইৰ একমাত্ৰ সাৰথি। এই নিসংগতাপূৰ্ণ জীৱনৰ পৰা মুক্তি বিচাৰি নিশাই বহুবাৰ নিজকে শেষ কৰি দিয়াৰ কথা ভাবিছিল। কিন্তু কেতিয়াও তাই তেনে কৰিবলৈ সাহ কৰা নাছিল। এনেকৈয়ে দিনৰ পিছত দিন বাগৰি গৈ থাকিল কিন্তু নিশাৰ নিসংগ জীৱনৰ অন্ত নপৰিল।

সদায় যোৱাৰ দৰে সেইদিনাও নিশা স্কুল যাবলৈ সাজু হ'ল। ঘৰৰ পৰা ওলাই আহি হঠাৎ নিশাৰ এজনী অচিনাকি ছোৱালী চকুত পৰিল। হঠাৎ দেখা অচিনাকি ছোৱালীজনীক নিশাই ভালদৰে লক্ষ্য কৰি দেখিলে তায়ো সেই একে ইউনিফৰ্ম পিন্ধিছে। নিশাই এই ছোৱালীজনীক আগতে কেতিয়াও দেখা নাই। নিশাক দেখি ছোৱালীজনী কাষ চাপি আহিল আৰু দুয়ো চা-চিনাকি হ'ল। ছোৱালজনীয়ে নিজকে পূৰ্ণিমা বুলি চিনাকি দিলে। নিশায়ো নিজৰ চিনাকি দিলে। প্ৰথম চিনাকিতে ধুনীয়া হাঁহিটো আৰু মিঠা মাতৰ পূৰ্ণিমাক নিশাৰ বৰ আপোন যেন লাগিল। পূৰ্ণিমাই ক'লে যে দেউতাক চাকৰিসূত্ৰে ইয়ালৈ বদলি হৈ অহা মাত্ৰ দুদিন হৈছে। সেইবাবে সেই ঠাইখন তাইৰ বাবে নতুন আছিল যদিও নিশাক লগ পাই তাইৰো বৰ ভাল লাগিল। এনেকৈয়ে দুয়ো খোজকাঢ়ি স্কুললৈ বুলি বাট ল'লে।

দিন বাগৰি যোৱাৰ লগে লগে পূৰ্ণিমা নিশাৰ অতি ঘনিষ্ঠ বান্ধৱী হৈ পৰিল। তাইৰ নিসংগ জীৱনত থকা সংগীৰ অভাৱ পূৰ্ণিমাই পূৰণ কৰিছিল। লাহে লাহে নিশাই তাইৰ মনৰ সকলো দুখ, বেদনা পূৰ্ণিমাৰ আগত ব্যক্ত কৰিলে। নিশাৰ কথা শুনি পূৰ্ণিমাৰ মনটো বিষাদেৰে ভৰি পৰিল। তাই কেতিয়াও ভবা নাছিল যে ইমান মৰম লগা, উদাৰ মনৰ ছোৱালীজনীৰ অন্তৰত ইমান দুখ-যন্ত্ৰণা লুকাই আছে। সকলো কথা শুনাৰ পিছত পূণিমাই নিশাক সান্ত্বনা দি ক'লে যে আজিৰ পৰা নিশা আৰু অকলশৰীয়া নহয়। তাইৰ প্ৰতিটো ক্ষণত সুখ-দুখৰ সমভাগী হৈ পূৰ্ণিমা তাইৰ ওচৰত সদায় সংগী হিচাপে থাকিব।

পূৰ্ণিমা এজনী মোহময়ী ছোৱালী। তাই জীৱনৰ প্ৰতিটো ৰং আনন্দৰে উপভোগ কৰিছিল বাবেই হয়তো নিশাকো জীৱনৰ সেই ৰঙবোৰৰ সৈতে অতি সহজে পৰিচয় কৰাই দিব পাৰিছিল। তাই নিশাক বুজাইছিল যে জীৱনটো বৰ অনুপম। কেতিয়া, ক'ত, কি হয় কোনেও নাজানে। অতীতৰ কি হ'ল বা কাইলৈ কি হ'ব সেইখিনি ভাবি মানুহে নিজৰ বৰ্তমানটো নষ্ট কৰিব নালাগে। অতীতত হেৰুৱাখিনি মানুহে কেতিয়াও পাব নোৱাৰে। গতিকে তেনেকুৱা অতীতক মনত পেলাব নালাগে। সুখ, দুখ, হাঁহি-কান্দোনৰ সমাহাৰেই হৈছে জীৱন। এই সকলোবোৰ হ'ল ৰামধেনুৰ সাতোটি ৰঙৰ দৰে। এই ৰঙবোৰ নেথাকিলে জীৱনটো উকা হৈ যাব। পূৰ্ণিমাই বিচাৰিছিল নিশাই যাতে জীৱনটোক আকৌ এক নতুন ৰূপেৰে গঢ়ি তুলি নিজকে প্ৰতিষ্ঠা কৰিব পাৰে। তাই নিশাক বুজাইছিল যে মানুহে এই জীৱনটো এবাৰেই পায়। সেয়েহে মানুহে এই জীৱনটোতেই এনেকুৱা কিছুমান ভাল কাম কৰিব লাগে যাতে মানুহজনৰ মৃত্যুৰ পিছতো তেওঁৰ সেই কামবোৰ আনৰ বাবে আদৰ্শ আৰু প্ৰেৰণাৰ উৎস হৈ ৰয়। পূৰ্ণিমাৰ এনে কথাবোৰেই নিশাৰ জীৱনৰ গতি পথ সলনি কৰি দিলে।

মৰহি যোৱা গছ পুলি এটাত পানী দিয়াৰ লগে লগেই যিদৰে ঠন ধৰি উঠে তেনেদৰে পূৰ্ণিমাৰ প্ৰেৰণাই নিশাৰ জীৱনটো গঢ় দিবলৈ আৰম্ভ কৰিছিলহে মাথোন, কিন্তু নিষ্ঠুৰ নিয়তিয়ে এই সকলোবোৰ সহ্য কৰি থাকিব পৰা নাছিল। এই নিষ্ঠুৰ নিয়তিয়ে এদিন পূৰ্ণিমাকো নিশাৰ পৰা কাঢ়ি লৈ যায়।

এতিয়াও নিশাৰ মনত আছে সেইদিনা আছিল ৰবিবাৰ। সেইদিনা পূৰ্ণিমা মাক-দেউতাকৰ লগত এখন বিয়া খাই আহি থকা পথত এটা ভয়াবহ পথ দুৰ্ঘটনা ঘটিলে। যিটো দুৰ্ঘটনাত তাইৰ মাক-দেউতাক থিতাতে নিহত হ'ল। পূৰ্ণিমা বৰ বেয়াকৈ আঘাতপ্ৰাপ্ত হৈছিল। ওচৰৰ মানুহখিনি আহি পূৰ্ণিমাক ততাতৈয়াকৈ হস্পিতাললৈ লৈ যায় যদিও ডাক্তৰে অশেষ চেষ্টা কৰি হস্পিতাললৈ গ'ল যদিও নিশা গৈ পোৱাৰ আগতে পূৰ্ণিমাই মৃত্যুক সাৱটি ল'লে। তাইক ৰখা কোঠালিটোৰ ভিতৰত প্ৰৱেশ কৰি তাই দেখিলে এখন বিচনাৰ ওপৰত তাইৰ নিথৰ দেহ পৰি আছিল। নিশা কান্দোনত ভাগি পৰিছিল। তাইৰ

সেই কান্দোনৰ ৰোল কোঠাটোৰ দেৱালত খুন্দা খাই তাইৰ ওচৰলৈ প্ৰতিধ্বনি হৈ উভতি আহিছিল। তাইক সান্ত্বনা দিয়া, প্ৰেৰণা দিয়া, সুখ-দুখৰ সমভাগী হোৱা পূৰ্ণিমা এইখন পৃথিৱী এৰি অন্য এখন পৃথিৱীলৈ আঁতৰি গ'ল।

হঠাৎ ঘড়ীটোৱে আঠ বজাৰ সংকেত দিয়াৰ লগে লগে নিশা উচ্‌প খাই উঠিল। পোন্ধৰ বছৰৰ আগৰ সেই স্মৃতি এৰি তাই আজিৰ দিনটোলৈ উভতি আহিল। দুচকুৰে বৈ অহা চকুলোৰে পূৰ্ণিমাক অশ্ৰু-অঞ্জলি যাচি নিশাই দিনটো আন দিনাৰ দৰেই আৰম্ভ কৰিবলৈ চেষ্টা কৰিলে। নিশাই এতিয়া নিজকে এগৰাকী সমাজ সেৱিকা হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে তাই এখন অনাথ আশ্ৰম খুলিছে। য'ত তাই তাইৰ দৰে সৰুৰে পৰা দুৰ্ভগীয়া অনাথ শিশুসকলক অতি যত্নেৰে আৰু মৰমেৰে লালন-পালন কৰি আহিছে। তাইৰ এই সাফল্যৰ আঁৰত লুকাই আছে একমাত্ৰ পূৰ্ণিমাৰ প্ৰেৰণা। এদিন নিজকে শেষ কৰি দিব খোজা নিশাই এতিয়া আন বহুজনক জীয়াই থকাৰ প্ৰেৰণা দি আহিছে। পূৰ্ণিমাৰ মাজতেই নিশাই বিচাৰি পাইছিল এন্ধাৰৰ মাজত পোহৰৰ ৰেঙণি। নিশাৰ মনৰ মাজত পূৰ্ণিমাৰ জোনবাইটোৰ দৰে জিলিকি চিৰ যুগমীয়া হৈ থাকিব পূৰ্ণিমা।

---

# কৌতুক

১। শিক্ষক ঃ ৰাজীৱ তুমি হাতীৰ ওপৰত এখন ৰচনা লিখি দিয়াচোন।

ৰাজীৱ ঃ ছাৰ, মই হাতীৰ ওপৰত ৰচনা নিলিখো দিয়ক মই হাতীলৈ বহুত ভয় কৰোঁ। মই বেঞ্চত বহি বহিয়ে ৰচনাখন লিখিম চাৰ।

২। বুঢ়া ঃ বোপা, তুমি কিহত পঢ়া? মোনতনে, কুইণ্টলত?

ল'ৰা ঃ ককা আপুনি কি মোনত, কুইণ্টলৰ কথা কৈছে। মই হ'লে একো বুজা নাই।

বুঢ়া ঃ কিয় তোমাৰ জেনচন ভায়েৰা কেজিত নপঢ়ে জানো?

৩। শিক্ষক ঃ ৰাতুল, তুমি কোৱাচোন মানুহ কাক বোলে?

ৰাতুল ঃ বেয়া কাম কৰি আগবাঢ়ি যোৱাকে মানুহ বোলে।

শিক্ষক ঃ নহয় অ গাধ! যি আনৰ উপকাৰ কৰে, তেওঁকহে মানুহ বোলে।

ৰাতুল ঃ ছাৰ, তেনেহ'লে আপুনি মানুহ নহয়, কাৰণ আপুনিতো পৰীক্ষা হলত আমাক একো উপকাৰ নকৰে।

৪। বাইদেউ ঃ চুচমা কোৱাচোন, ভাৰতীয়ে চুৰ কৰে, ইয়াৰ ভৱিষ্যত কি হ'ব?

চুচমা ঃ বাইদেউ, ধৰা পৰিলে জেলৰ ভাত খাব আৰু ধৰা নপৰিলে ডাঙৰ মানুহ হ'ব।

৫। এজনী বুঢ়ী মহিলা এ.টি.এম.ৰ কাষত গৈ দেখিলে যে, ল'ৰা এজন এ.টি.এম.ৰ পৰা পইচা উলিয়াই আছে। তাকে দেখি বুঢ়ীজনীয়ে ক'লে, বোপাই মোৰ Balance চাই দিয়াচোন। তেতিয়া ল'ৰাজনে বুঢ়ীজনক ঠেলি দিলে আৰু বুঢ়ীজনী মাটিত বাগৰি পৰিল।

ল'ৰা ঃ আপোনাৰ Balance খুব বেয়া আইতা?

৬। মাক ঃ কনক তুমি এই গৰমত কিয় ৰ'দত বহি আছা?

কনক ঃ মা, মই গাৰ ঘাত ৰ'দত শুকাবৰ বাবে বহি আছোঁ।

চুমি কাঠাৰ
স্নাতক প্ৰথম ষান্মাসিক

# নেদেখাজনৰ প্ৰতি কৃতজ্ঞতা

মানসী বৈশ্য
*স্নাতক প্ৰথম যান্মাসিক*

— ক্ৰিং, ক্ৰিং, ক্ৰিং ..........

এহ ...... এই ৰাতিপুৱাই ৰাতিপুৱাই কোনে বা ফোন কৰিলে — যথেষ্ট বিৰক্তিৰে কথাখিনি ক'লে স্বপ্নালীয়ে।

ৰাতিপুৱাৰ সময়খিনিত যথেষ্ট লৰালৰি হয় স্বপ্নালীৰ। ল'ৰা-ছোৱালী হালৰ টিফিন, স্কুলবেগ আদি তৈয়াৰ কৰা, গিৰিয়েক প্ৰশান্তৰ আলপৈচান ধৰা, নিজেও কামলৈ যাবলৈ ল'ৰালৰি হয় তাইৰ। প্ৰশান্তই লৰচৰ কৰিব নোৱাৰে। হুইল চেয়াৰ এখনত বহি থাকে। এই সময়খিনিত যদি ফোনটো বাজি উঠে তাৰ সমান অশান্তি নাপায় তাই। টিফিন তৈয়াৰ কৰি উঠি বেচিনটোতে হাতখন ধুই তাই ফোনটো ৰিচিভ কৰিলে।

— হেল্ল' ....।

— হেল্ল' স্বপ্নালী — কথা এটা গম পাইচানে নাই।

— ফোনটোৰ সিটো মূৰত চুবুৰীয়া ৰেখাৰ কণ্ঠ।

— কি কথা অ'? — জানিবলৈ ব্যাকুল হৈ পৰিল স্বপ্নালী।

— এই যে এম. এল. এ. জগমোহন শইকীয়া, আজি তাৰ ঘৰত চি. বি. আই. তালাচী কৰি বহুতো ধন-সোণ জব্দ কৰিলে নহয়। এতিয়া থানালৈ লৈ গৈছে শইকীয়াক। বহুতো সাংবাদিক আহি ভিৰ কৰিছিলিহি। টি.ভি.ত দেখাই পাবি।

কথাটো শুনি স্বপ্নালীৰ মনতো সুখ-দুখ মিশ্ৰিত এক ভাৱনাই জোকাৰি গ'ল। তাইৰ মনত পৰিল অঞ্চলটোৰ এম. এল. এ. জগমোহন শইকীয়া নামৰ মানুহৰূপী শগুণটোৰ কথা। অশিক্ষিত হৈয়ো এজন এম. এল. এ. হোৱা কথাটো তাই আজিলৈকে বুজিব নোৱাৰিলে। তাইৰ কেবাবছৰো আগৰ কথা কিছুমানে মনত অগা-দেৱা কৰি থাকিল।

তেতিয়া স্বপ্নালীৰ বিয়া হোৱা এবছৰো পাৰ হোৱা নাছিল। তাইৰ স্বামী প্ৰশান্ত এগৰাকী আৰক্ষী বিষয়া। তেওঁ সদায় দুৰ্নীতিৰ বিৰোধী আছিল। কিন্তু সেই সততাই এদিন তেওঁৰ শত্ৰু হ'ল। এম.এল.এ. শইকীয়াৰ ড্ৰাগছৰ চোৰাং কাৰবাৰ আছিল; তাৰোপৰি তেওঁৰ আন বহুতো ক'লা-ব্যৱসায় আছিল। যাৰপৰা তেওঁ যথেষ্ট ক'লাধন গোটাইছিল। শইকীয়াৰ ড্ৰাগচে ৰাজ্যৰ হাজাৰ হাজাৰ যৌৱন ধ্বংস কৰি পেলাইছিল। এদিন প্ৰশান্তই এখন ড্ৰাগছ ভৰ্তি গাড়ী দুজন ড্ৰাগছ ব্যৱসায়ীৰ সৈতে আটক কৰিলে। কিন্তু শইকীয়াৰ দুৰ্নীতিৰ ওচৰত প্ৰশান্তৰ সততাই পৰাজয় বৰণ কৰিলে। শইকীয়াই নিজৰ ৰাজনৈতিক পৰাক্ৰমেৰে ড্ৰাগছ-ব্যৱসায়ী দুজনক মোকলাই আনিলে। কিন্তু, আৰক্ষী বিষয়া প্ৰশান্ত চৌধুৰীৰ পৰা প্ৰতিশোধ ল'বলৈ শইকীয়া গৰ্জি উঠিল। শইকীয়াৰ প্ৰতিশোধৰ পৰিকল্পনা সফল হ'ল।

— স্বপ্নালীয়ে আজিও তাইৰ জীৱনৰ সেই ভয়াবহ ৰাতিটোৰ কথা সুঁৱৰি কঁপি উঠে।

সেইদিনা অমাৱস্যাৰ ৰাতি আছিল। বতাহ-বৰষুণেৰে প্ৰকৃতিয়ে এক ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল। স্বপ্নালী, প্ৰশান্ত আৰু ল'ৰা-ছোৱালী দুটিয়ে ভাত খাই উঠিছিলহে মাথোন। হঠাৎ — দুৱাৰত কোনোবাই টোকৰ মৰা শব্দ শুনিলে। প্ৰশান্তই হাত দুখন ধুই দুৱাৰ খুলিবলৈ গ'ল। কিন্তু, বাহিৰত হঠাৎ আৰ্তনাদ শুনা গ'ল। আৰ্তনাদ শুনি স্বপ্নালীয়ে বাহিৰলৈ ওলাই আহি দেখে যে প্ৰশান্ত তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি আছে। মুখত ক'লা-কাপোৰ মাৰি অহা গুণ্ডাকেইটাই প্ৰশান্তক তেনে অৱস্থাত পেলাই থৈ গৈছিল। তাই দিক্ বিদিক্ হেৰুৱাই পেলালে। সেই ৰাতি ঘূণীয়া মানুহজনক অকলে চিকিৎসালয়লৈ নিব পৰা অৱস্থাত নাছিল স্বপ্নালী। হঠাৎ তাইৰ হৰিলৈ মনত পৰিল। হৰি সিহঁতৰ পুৰণি বিশ্বস্ত লগুৱা আছিল। এতিয়া সি অটো' চলায়। তাই হৰিলৈ ফোন কৰিলে। হৰিয়ে তাৰ অটো'খন লৈ আহি প্ৰশান্তক ওচৰৰ নাৰ্চিংহোমখনলৈ লৈ গ'ল। চিকিৎসকে প্ৰশান্তক পৰীক্ষা কৰিলে। ডাক্তৰে স্বপ্নালীক ক'লে যে, প্ৰশান্তৰ ভৰি দুখনে আৰু কাম নকৰিব। অৰ্থাৎ, সি আৰু আগৰ নিচিনাকৈ চলাফিৰা কৰিব নোৱাৰিব। কথাষাৰ শুনাৰ লগে লগে স্বপ্নালীৰ মূৰত যেন সৰগ ভাঙি পৰিল। কিন্তু, তাই বেছি সময়লৈ দুখ কৰি নাথাকিলে। কাৰণ এতিয়া যে তাই ঘৰৰ মুৰব্বী। তাই যদি এনেকৈ ভাগি পৰে তেনেহ'লে ৰাজু, ৰীণা আৰু প্ৰশান্তক কোনে চাব? তাই পুনৰ সংসাৰখন নিয়াৰিকৈ চলাবলৈ ধৰিলে। যিহেতু স্বপ্নালী গ্ৰেজুৱেট আছিল সেয়েহে তাই চাকৰি এটা সোনকালে বিচাৰি পালে। কিন্তু, তাই প্ৰশান্তৰ অৱস্থাটো দেখিলে ভাগি পৰে। আগৰ আৰু এতিয়াৰ প্ৰশান্তৰ মাজৰ পৰিৱৰ্তনে তাইক বহু আমনি কৰে। কিন্তু, তাইৰ মনৰ এই দুখ প্ৰশান্ত আৰু ল'ৰা-ছোৱালী দুটিৰ আগত দেখুৱাব নোৱাৰে। কিয়নো তাই ভাগি পৰা দেখিলে প্ৰশান্ত আৰু ইহঁত দুটায়ো দুখ পাব।

কিন্তু, আজিৰ এই খবৰটোৱে স্বপ্নালীৰ মনটো ফৰকাল কৰি তুলিলে। নেদেখাজনৰ প্ৰতি থকা বিশ্বাস যেন আৰু অধিক মজবুত হ'ল। তাই থাপনাখনৰ ওচৰলৈ গৈ মূৰটো দোৱাই ভগৱানক প্ৰাৰ্থনা কৰিলে —

"হে ঈশ্বৰ, এই জগতৰ সৃষ্টিকৰ্তা তুমি। বিশ্বৰ প্ৰতিটো বস্তুৱেই তোমাৰ সৃষ্টি। জনমে জনমে তুমি বিভিন্ন অৱতাৰ ধাৰণ কৰি পাপ আৰু পাপীক দমন কৰি আহিছা। আজি তুমি এই মানুহৰূপী পিশাচটোক প্ৰদান কৰা শাস্তিৰ বাবে মই তোমাৰ ওচৰত কৃতজ্ঞ প্ৰভু। আশা-ৰাখিছো তুমি এনেকৈয়ে সকলো পাপীৰ নাশ কৰিবা .....।"

এইবুলি স্বপ্নালীয়ে চাদৰৰ আঁচলেৰে ভৰি অহা চকুৰ কোণ দুটা মচিলে। বেৰত আঁৰি থোৱা ভগৱান শ্ৰীকৃষ্ণৰ ফটোখন যেন তাইলৈ চাই মিচিকিয়াই আছে।

# নাৰী

"ডাৱৰে কি ক'লে ঃ দিয়া আৰু দিয়া, নিঃশেষকৈ দিয়া"
— (পলশ, নৱকান্ত বৰুৱা)

— মণিমায়া বৰদলৈ

*বিলাই দিয়া নিজকে*
*বিলাই দিয়া*
*যিমান পাৰা সিমান*
*বিলোৱাৰ অন্য নাম নাৰী*
*নিজৰ বাবে একো নৰখাকৈ*
*আনক সকলো ঢালি দিয়াৰ নাম*
*নাৰী .....*
*নাৰী ......*
*সঁচা উদাৰতাৰ অন্য নাম।*
*জীৱনৰ প্ৰতিটো ক্ষণৰ*
*ত্যাগে পোহৰাই*
*নাৰীৰ জীৱন চৰ্যা।*
*নিজৰ বাবে ভাবিবৰ আহৰি নাই!*
*অনেক আশাৰে*
*আছে বাট চাই।*
*নাৰী,*
*কেৱল আনৰ বাবে,*
*নিজৰ বাবে নহয়।*
*পৰৰ সুখ দুখ।*
*ৰ'দ, বৰষুণ আকোঁৱালি লোৱা*
*জীৱনটিৰ নাম*
*নাৰী!!*

# জোনাক বিচাৰি

— কনিকা দাস
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

*মাজ নিশাৰ জ্বয়াল এন্ধাৰ*
*নেওচি .....*
*এৰাল চিগা*
*সপোনবোৰৰ সৈতে*
*দৌৰি - ঢাপলি!*

*আগবাঢ়ি যাওঁ*
*পুৱাৰ ৰাঙলী বেলিটিৰ*
*হেঙুলীয়া আভা বিচাৰি*
*এই সমাজৰ যন্ত্ৰণাময়তাৰ*
*কলা ৰংবোৰ মোহাৰি*
*সানি দিব খোজো*
*সুখৰ ফাকু-গুৰি ......*
*আঁতৰাই পেলাব খোজো*
*অসমী আইৰ*
*গৰ্ভত কৰা*
*দুখীয়াৰ কৰুণ আৰ্তনাদ ...*
*সিঁচি দিব খোজো*
*এমুঠি শান্তিৰ*
*জোনাক .........*

# তোমাৰ হৃদয়েৰে

— বিউতি ওৱাৰী
স্নাতক তৃতীয় বৰ্ষ

*চকুলো বোইছিল দুচকুৰে।*
*জীৱনৰ প্ৰতিটো পল সৌন্দৰ্যৰে ভৰা।।*
*ৰাখিছিলো তোমাক মৰমৰ আলসুৱাৰে।*
*হৃদয়ৰ মাজলৈ বোৱাইছিল*
*নিদ্ৰাহীনতাৰ প্ৰেম।*
*অবুজন চাৱনিতেই বান্ধ খালো*
*হতাশাৰে ভৰা জীৱনৰ অস্থিৰতাৰ*
*কোলাত।।*
*বিচাৰিলো আশা ভৰা আজীৱন প্ৰেমৰ*
*প্ৰেৰণা এটি মৌসনা শিহঁৰণ।*
*বিচাৰিলো যাব তোমাৰ হৃদয়ৰ*
*মাজত।।*
*নুবুজিলো তোমাৰ হৃদয়ৰ কথা,*
*নুবুজিলো তোমাৰ দুচকুৰ ভাষা।*
*কৰিলা মাথোন মৰিছিকাৰ ছা,*
*এজাক বতাহে উৰুৱাই দিব*
*সকলো হৃদয়ৰ সপোন!!!*

# মৃতদেহৰ আহ্বান

— চুনু হাজং
স্নাতক প্ৰথম বৰ্ষ

*সীমান্তৰ সিটো পাৰত*
*নিথৰ হৈ পৰি থকা মোৰ*
*কোমল দেহৰ দুৰ্গন্ধই*
*তোমাক লৈ গ'ল*
*মোৰ কাষলৈ,*
*অসংযত হাবি*
*তাৰ মাজে মাজে তুমি আহিছা*
*মোৰ মুক্ত কেশৰ সুবাস অনুসৰি*
*কাৰোবাৰ খেলৰ বলি হোৱা*
*তেজেৰে তুমবলি মোৰ*
*নিষ্প্ৰাণ দেহে এতিয়াও ৰৈ আছে তোমালৈ*
*তুমি আহিবা*
*লৈ যাবা মোক*
*তোমাৰ বোকোচাত তুমি*
*আইৰ উদং বুকুত শুৱাই থবলৈ।*

# বৰষাৰ বতৰা

— বিদিশা বৈশ্য
স্নাতক প্ৰথম বৰ্ষ

*বৰষাৰ এছাটি বতাহে*
*হৃদয় স্পৰ্শ কৰোতে*
*প্ৰাণ পাই উঠিল*
*সোণোৱালী সপোনবোৰে।*
*বুজাব নোৱাৰো*
*হৃদয়ৰ ভাষাৰে*
*আমনি দায়ক*
*স্মৃতিবোৰৰ কথা*
*বাৰিষাৰ বানত উটুৱাই নিদিবা*
*অনুভূতিবোৰ*
*সযতনে সামৰি লোৱা*
*সঁজাল ধৰা পথাৰ।*

# স্মৃতি

— কাকলি ডেকা
স্নাতক প্ৰথম ষাণ্মাসিক

মৌনতাৰ শিখাৰে জ্বলাই দিলো
তোমাৰ ধূসৰ স্মৃতিবোৰ
প্ৰেম আৰু উদাসীনতাৰে
বহুতো সেমেকা ৰাতি
বেদনা আৰু চকুলোবোৰ
বনজুইৰ লেলিহান শিখা হৈ
বিয়পি পৰে হৃদয়ৰ নিৰ্জন কোণত।
মনৰ গহন বনত এগছি বন্তিয়ে
টিমিক-ঢামাক পোহৰ বিলাই
বহুতো পোৱাৰ ক্লান্তিত
নিজেই হেৰাই যোৱাৰ ভয়ত।
এন্ধাৰে আঁচুৰি পেলোৱা মৰ আঁউসীত
অতীতৰ বাবে হাবাথুৰি খাঁও।
দোভাগ নিশা হয়তো সাৰে আছা তুমি
আৰু সাৰে আছে তপত হুমুনিয়াহ টোপনিবোৰ
বহুতো আদিম স্তৰ ভেদি।
তললৈ ক্ৰমে গৈ আছো, আৰু তললৈ
আদিম মানৱ সমাজৰ ভেদ ভেদি
প্ৰতিধ্বনি শুনিছো মই ভিতৰৰ পৰা
তোমাৰ সেমেকা হুমুনিয়াহবোৰৰ
কিন্তু, মৌনতাৰ শিখাৰে জ্বলাই দিলো
তোমাৰ ধূসৰ স্মৃতিবোৰ।

# নদী-দ্বীপৰ ৰূপকথা

— ভাগ্যশ্ৰী মজুমদাৰ
স্নাতক তৃতীয় বৰ্ষ

সুপ্ৰাচীন নদীখন
আৰু পৃথিৱীৰ দৰেই প্ৰাচীন সেই নিশ্বাস —
যাৰ সুবাসত আবেলিটো নাচি উঠিল

একা-বেঁকা ৰূটবোৰ পোন হ'ল
ৰূপোৱালী বালিচৰ সোণ হ'ল
আৰু কোনো ভাস্ক-দা-গামাৰ কাপত বন্দী
উজানৰ সাতোৰঙী হাৰিয়াস
কোনে জানো বুটা বাচি পেলালে
যে, নীলিম হৈ উঠিল প্ৰতিসৰিত মনবোৰ

কোনে বাৰু খিলখিলাই হাঁহিলে!
কোনে বাৰু খুলি দিলে সঁজাবোৰ!
কোনে বাৰু উৰুৱালে চিলাবোৰ!

চিনাকি ঘাটত অচিনাকী বহু লঙ্গৰ
কাৰোবাৰ লেন্সত চিটিকি পৰিল
চিনাকী-অচিনাকী দুই পৃষ্ঠা ইতিহাস
আৰু বৰ্ণিল দিগন্তত
হেঙুল হৈ অহা সময়ৰ বুকু ফালি
চূড়া ভৰি ফুলিলি বনৰীয়া ফুল

সত্যস্নান উমানন্দৰ চিনাকী 'ৰূখচাৰ'
তোমাৰো চিনাকী —

চিনাকী নদীখন।

(টোকা — 'ৰূখচাৰ' (উৰ্দু) অৰ্থঃ মুখমণ্ডল)

# আহিবাচোন বন্ধু এদিন!

— কবিতা হাজৰিকা
স্নাতক তৃতীয় বৰ্ষ

বন্ধু এদিন আহিবাচোন
আমাৰ গাঁৱলৈ,
পথাৰৰ সেউজীয়া সোণগুটিৰ
সুবাস ল'বলৈ,
নৈৰ পাৰত সোণোৱালী বালিত বহি
নৈৰ পানীত প্ৰতিফলিত হোৱা
ৰঙা সুৰুযৰ হেঙুলীয়া আভা চাবলৈ।
বন্ধু কিমান যে অপূৰ্ব
সেই দৃশ্য,
ৰোৱনী, দাৱনীহঁতে পথাৰত
সিঁচে মুকুতা মণি।
বন্ধু, তুমি হয়তো আহিবলৈ
অস্বীকাৰ কৰিবা;
হয়তো ক'বা, ৰাস্তা-ঘাট
বোকা-পানীৰে পৰিপূৰ্ণ বুলি
কিন্তু, বন্ধু কি কৰিবা
এইটোৱে আমাৰ জীৱন।
ইয়েই আমাৰ পৰিচয়।।

# শৰৎ

— মঞ্জুৰী পাতিৰি
স্নাতক প্ৰথম বৰ্ষ

শৰৎ নিশা জোনাকৰ পৰশত
প্ৰাণ পাই উঠা শেৱালি পাহিক,
প্ৰেমৰ সাক্ষী কৰি,
তুমি মোক কৈছিলা
'ভাল পাওঁ' কেৱল 'ভাল পাওঁ'।
ক'বানে আকৌ এবাৰ আহি,
এইবাৰ আহিলে শৰৎ
বাট চাম পদূলিৰ মুখত।
শীতৰ সেমেকা ৰাতি
নিয়ৰৰ মুকুতা মণি
দিয়াহি পিন্ধাই ডিঙিত।
হৃদয়ৰ কথা কৈ,
আকোঁৱালি লোৱাহি
আকৌ বুকুৰ মাজত।
সিঁচৰিত জোনাকী পোহৰক
এক গোট কৰি
জিলিৰ মাতত সাৰ পাই উঠা
সপোনক বাস্তৱ কৰি
আকৌ এইবাৰ শৰতত ক'বানে
'ভাল পাওঁ' আৰু 'ভাল পাওঁ'
মাথোঁ তোমাক।

# মোক এখন আকাশ দিয়া

— দীপিকা দেৱী
তৃতীয় ষান্মাসিক

মোক এখন আকাশ দিয়া
নাথাকে য'ত বাৰুদৰ ধোঁৱা,
মৃত্যু নহয় য'ত ল'ৰা-ছোৱালী
ৰাজপথ য'ত ৰাঙলী নহয়,
গুলীবিদ্ধ জনতাৰ বুকুৰ তেজেৰে,
ধৰ্ম নহয় য'ত মাথো অধৰ্ম
নীতি নহয় য'ত মাথা দুৰ্নীতি,
য'ত প্ৰতিদিনে মৃত্যু নহয়,
বিশ্বাসৰ
সততাৰ,
সবলতাৰ,
ক্ষমতাৰ।


Printed at : M. Tact, 98640-68585